**আবেদনকাৰী:**

**শ্ৰী ডি.কে. বাসু,অশোক কে জোহৰী**

**বনাম প্ৰতিবাদী:**

**পশ্চিম বংগ চৰকাৰ, উত্তৰ প্ৰদেশ চৰকাৰ**

**ৰায়দানৰ তাৰিখ: ১৮/১২/১৯৯৬**

**বিচাৰপীঠ:**

**কুলদীপ সিং, এ.এছ আনন্দ**

**আইন:**

**মূলটোকা:**

**ৰায়:**

**লেখ আবেদন (ক্ৰিমিনেল) নং  ৫৯২/ ১৯৮৭**

# <u>ৰায়</u>

ড.আনন্দ, জে.

ছ'চাইটি পঞ্জীয়ন আইনৰ অধীনত পঞ্জীয়নভুক্ত পশ্চিম বংগৰ অৰাজনৈতিক সংস্থা আইনী সাহার্য্য সেৱাৰ কাৰ্যবাহী অধ্যক্ষই ২৬-৮-১৯৮৬তাৰিখে ভাৰতৰ মুখ্য ন্যায়াধীশলৈ এখন পত্ৰ সম্বোধন কৰি ২০-৭-১৯৮৬, ২১-৭-১৯৮৬ আৰু ২২-৭-১৯৮৬ৰ টেলিগ্ৰাফ কাকতত আৰু ষ্টেটছমেন এণ্ড ইণ্ডিয়া এক্সপ্ৰেছত ১৭-৮-১৯৮৬তাৰিখে আৰক্ষীৰ লক-আপ আৰু জিম্মাত হোৱা মৃত্যুৰ সন্দৰ্ভত প্ৰকাশিত কিছুমান বাতৰিৰ প্ৰতি তেওঁৰ দৃষ্টি আকৰ্ষণ কৰে। বাতৰিসমূহ পুনৰ উত্থাপন কৰাৰ পিছত কাৰ্যবাহী অধ্যক্ষই যুক্তি দাঙি ধৰে যে বিষয়টো গভীৰভাৱে পৰ্যবেক্ষণ কৰা আৰু "জিম্মাত লোৱাৰ ক্ষেত্ৰত ন্যায়িক জ্ঞান" বিকশিত কৰা আৰু আৰক্ষীৰ জিম্মাত হোৱা অত্যাচাৰৰ বলি হোৱা ভুক্তভোগীসকল বা ইয়াৰ বলি হৈ মৃত্যু হোৱা ভুক্তভোগীৰ পৰিয়ালৰ সদস্যক ক্ষতিপূৰণ দিয়া পদ্ধতি প্ৰণয়ন কৰাটো আৰু সংশ্লিষ্ট বিষয়াসকলৰ জবাবদিহিতাৰ ব্যৱস্থা কৰাটো অতি প্ৰয়োজনীয়।পত্ৰখনত এইটোও উল্লেখ কৰা হৈছে যে লকআপত হোৱা মৃত্যুৰ বিষয়টো প্ৰায়ে গাপ দি ৰখাৰ প্ৰচেষ্টা চলোৱা হয় আৰু এইদৰে অপৰাধটো শাস্তি নোপোৱাকৈয়ে থাকি যায় আৰু "বিকশিত" হৈ উঠে। এইটো অনুৰোধ কৰা হৈছিল যে বাতৰিবোৰৰ সৈতে পত্ৰখনক "ৰাজহুৱা স্বাৰ্থজড়িত মোকৰ্দমা" শ্ৰেণীৰ অধীনত এখন লেখ আৱেদন হিচাপে গণ্য কৰা হ'ব।

আৰক্ষীৰ জিম্মাত হোৱা নিৰ্যাতন আৰু লক আপত হোৱা মৃত্যু সম্পৰ্কীয় অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি আৰু পত্ৰখনত উত্থাপিত বিষয়টোৰ গুৰুত্ব বিবেচনা কৰি, পত্ৰখনক এখন লেখ আৱেদন হিচাপে গণ্য কৰা হৈছিল আৰু প্ৰতিবাদীসকলক ৯-২-১৯৮৭ তাৰিখে জাননী প্ৰেৰণ কৰা হৈছিল।

জাননীখনৰ প্ৰত্যুত্তৰ হিচাপে, পশ্চিম বংগ চৰকাৰে এখন প্ৰতি আবেদন দাখিল কৰে। এই কথা মানি চলা হৈছিল যে আৰক্ষীয়ে লক-আপত হোৱা মৃত্যুৰ কথা গাপ দি ৰখা নাছিল আৰু য'তেই আৰক্ষী কৰ্মীসকল এনে মৃত্যুৰ বাবে দায়ী বুলি ধৰা পৰিছিল, তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। প্ৰতিবাদীসকলে লেখ আৱেদনখনক ভুল, বিভ্ৰান্তিকৰ আৰু আইনী সমৰ্থনযোগ্য নহয় বুলি অভিহিত কৰিছিল।

যেতিয়া লেখ আৱেদনখন বিচাৰাধীন হৈ আছিল তেতিয়া শ্ৰী অশোক কুমাৰ জোহৰীয়ে ২৯.৭.১৯৮৭ তাৰিখে ভাৰতৰ মাননীয় মুখ্য ন্যায়াধীশলৈ সম্বোধন কৰি দিয়া এখন পত্ৰ গ্ৰহণ কৰা হৈছিল যিখন পত্ৰত আৰক্ষীৰ জিম্মাত থকা আলিগড়ৰ পিলখানাৰ মহেশ বিহাৰী নামৰ এজন ব্যক্তিৰ মৃত্যুৰ প্ৰতি এই ন্যায়ালয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেই পত্ৰখনক এখন লেখ আৱেদন হিচাপেও গণ্য কৰা হৈছিল আৰু শ্ৰী ডি কে বসুৰ দ্বাৰা দাখিল কৰা লেখ আৱেদনৰ সৈতে তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ১৪.৮.১৯৮৭ তাৰিখে এই ন্যায়ালয়ে নিম্নলিখিত আদেশটো প্ৰদান কৰিছিল:

"প্ৰায় প্ৰতিখন ৰাজ্যতে অভিযোগ আছে আৰু জিম্মাকালীন মৃত্যুৰ অভিযোগসমূহ এতিয়া বৃদ্ধি পাইছে যাক সাধাৰণতে বাতৰি কাকতবোৰে লক-আপত হোৱা মৃত্যু বুলি বৰ্ণনা কৰে। বৰ্তমান সময়ত, এনে অভিযোগৰ সৈতে সফলভাৱে মোকাবিলা কৰিবলৈ কোনো ব্যৱস্হা থকা দেখা নাযায়। যিহেতু এইটো সকলো ৰাজ্যক লৈ উদ্ভৱ হোৱা এটা সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰশ্ন, গতিকে সকলো ৰাজ্য চৰকাৰৰ এই বিষয়ত মত প্ৰকাশৰ ইচ্ছা আছে নে নাই সেইয়া জানিবলৈ জাননী জাৰি কৰাটো বাঞ্ছনীয়। সকলো ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰা হওক। আজিৰ পৰা দুমাহৰ ভিতৰত উপযুক্ত পৰামৰ্শ দিব লাগে বুলি অনুৰোধ জনাই ভাৰতীয় আইন আয়োগলৈও জাননী জাৰি কৰক।"

এই জাননীৰ প্ৰতি সঁহাৰি জনাই পশ্চিম বংগ, উৰিষ্যা, অসম, হিমাচল প্ৰদেশ, মধ্যপ্ৰদেশ, হাৰিয়ানা, তামিলনাডু, মেঘালয়, মহাৰাষ্ট্ৰ আৰু মণিপুৰ ৰাজ্যৰ হৈ শপতনামা দাখিল কৰা হৈছে। কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড় আৰু ভাৰতীয় আইন আয়োগৰ হৈও শপতনামা দাখিল কৰা হৈছে।

লেখ আৱেদনসমূহৰ শুনানিৰ সময়ত, ন্যায়ালয়ে বাৰৰ পৰা সহায় লোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল আৰু জ্যেষ্ঠ অধিবক্তা ড.এ.এম. সিংভিক ন্যায়ালয়ৰ বন্ধু (amicus curiae) হিচাপে সহযোগিতা প্ৰদান কৰিবলৈ অনুৰোধ কৰা হৈছিল।

বিভিন্ন ৰাজ্যৰ হৈ উপস্থিত হোৱা বিজ্ঞ পৰামৰ্শদাতা আৰু ন্যায়ালয়ৰ বন্ধু হিচাপে ড. সিংভিয়ে গোচৰটো ভালদৰে উপস্থাপন কৰিছিল আৰু যদিও আৰম্ভণিতে ৰাজ্যসমূহৰ ফালৰ পৰা তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ ভিতৰত "সকলো ঠিকেই আছে", বুলি দৰ্শোৱাৰ প্ৰচেষ্টা আছিল, বিভিন্ন পক্ষৰ হৈ উকালতি কৰা বিজ্ঞ অধিবক্তাসকলে

বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ পৰা আশা কৰা অনুসৰি, তেওঁলোকৰ নিজ নিজ লিখিত প্ৰতিবেদনৰ উপৰিও বিষয়টোৰ বিভিন্ন দিশ পৰীক্ষা কৰাৰ বাবে এই আদালতক প্ৰয়োজনীয় সহায় আগবঢ়াইছিল আৰু প্ৰতিৰোধ কৰিব নোৱাৰিলেও এই ন্যায়ালয়ৰ দ্বাৰা জিম্মাত চলোৱা নিৰ্যাতন হ্ৰাস কৰাৰ বাবে আৰু এই নিৰ্যাতনৰ বলি হোৱা ভুক্তভোগীসকলক ক্ষতিপূৰণ প্ৰদান কৰাৰ বাবে আৰু নিৰ্যাতনৰ বলি হৈ মৃত্যু হোৱা লোকসকলৰ আত্মীয়সকলক ক্ষতিপূৰণ প্ৰদান কৰিবলৈ নিৰ্দেশনা প্ৰস্তুত কৰাৰ বাবে কিছুমান পৰামৰ্শ দিছিল।

এই ন্যায়ালয়ে জাৰি কৰা জাননীৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতীয় আইন আয়োগেও "আৰক্ষীৰ জিম্মাত হোৱা জখম আৰু ভাৰতীয় সাক্ষ্য আইনত ১১৪-খ ধাৰাত অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ" সম্পৰ্কে ১১৩ সংখ্যক প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰেৰণ কৰে।

প্ৰত্যেকজন ব্যক্তিৰ নিশ্চিত অধিকাৰৰ গুৰুত্বৰ বিষয়ে দোহৰাৰ প্ৰয়োজন নাই আৰু সেয়েহে, নাগৰিকসকলৰ মৌলিক মানৱ অধিকাৰৰ ৰক্ষক হিচাপে ইয়াৰ উলংঘন হোৱাৰ পৰা ৰক্ষা কৰাটো ন্যায়ালয়ৰ এক পৱিত্ৰ কৰ্তব্য হৈ পৰে। জিম্মাকালীন নিৰ্যাতন আৰু লক-আপত হোৱা মৃত্যুৱে আইনৰ শাসনৰ ওপৰত আচোঁৰ সানে যি দাবী কৰে যে কাৰ্যবাহীৰ ক্ষমতা কেৱল আইনৰ পৰাই গ্ৰহণ কৰাটোৱে উচিত নহয় কিন্তু আইনৰ দ্বাৰা সীমিতও হ'ব লাগে। জিম্মাকালীন নিৰ্যাতন হৈছে এটা চিন্তনীয় বিষয়। নাগৰিকৰ ৰক্ষক হ'ব লগা ব্যক্তিসকলে এনে কাৰ্য সংঘটিত কৰাটোৱে ইয়াক আৰু অধিক ভয়াৱহ কৰি তোলে। থানা বা লক-আপৰ চাৰিখন দেৱালৰ মাজত থাকি ইউনিফৰ্ম আৰু কৰ্তৃত্বৰ আবুৰত যেতিয়া এনে কাৰ্য সংঘটিত হয়, তেতিয়া ভুক্তভোগীজন সম্পূৰ্ণ অসহায় হৈ পৰে। আৰক্ষী আৰু অন্যান্য আইন প্ৰয়োগকাৰী বিষয়াৰ দ্বাৰা এজন ব্যক্তিক কৰা নিৰ্যাতন আৰু সেই নিৰ্যাতনৰ পৰা ৰক্ষা কৰাটো স্বাধীন সমাজৰ বাবে গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। এই আবেদনসমূহে ভাৰতীয় সংবিধানৰ ২১ আৰু ২২ নং অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা মৌলিক অধিকাৰৰ উলংঘাৰ বাবে আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰা উচিত নে নহয় আদিকে ধৰি আৰক্ষীৰ ক্ষমতা সম্পৰ্কীয় বিষয়সমূহ উত্থাপন কৰে। এইসমূহ হৈছে অতি গুৰুত্বপূৰ্ণ বিষয়।

১০."নিৰ্যাতন"ৰ সংজ্ঞা সংবিধান বা অন্যান্য দণ্ডবিধি আইনত প্ৰদান কৰা হোৱা নাই। এজন মানুহৰ দ্বাৰা আন এজন মানুহক কৰা "নিৰ্যাতন" মূলতঃ "শক্তিশালী"

এজনৰ ইচ্ছাক "দুৰ্বল" এজন ব্যক্তিৰ ওপৰত যাতনাৰ মাধ্যমেৰে জাপি দিয়াৰ এক আহিলা। বৰ্তমান *নিৰ্যাতন* শব্দটো মানৱ সভ্যতাৰ ক'লা দিশটোৰ সমাৰ্থক হৈ পৰিছে।

"নিৰ্যাতন হৈছে আত্মাৰ আঘাত যি ইমান বেদনাদায়ক যে কেতিয়াবা প্ৰায় স্পৰ্শ কৰিব পাৰি, কিন্তু লগতে ই ইমানেই অস্পষ্ট যে ইয়াক ভাল কৰাৰ কোনো উপায় নাই। নিৰ্যাতন হৈছে বুকুত চেপি ধৰা এক যন্ত্ৰণা, যি বৰফৰ দৰে ঠাণ্ডা, শিলৰ দৰে গধুৰ, নিদ্ৰাসদৃশ অলসতা আৰু অটল গহ্বৰৰ দৰে অন্ধকাৰময়।নিৰ্যাতন হ'ল হতাশা আৰু ভয়, ক্ৰোধ আৰু ঘৃণা। এইয়া হৈছে নিজকে ধৰি হত্যা আৰু ধ্বংসৰ বাবে এক ইচ্ছা।"

-----এড্ৰিয়ানা পি বাৰ্টো

কোনো এটা মানৱ অধিকাৰৰ উলংঘা "নিৰ্যাতন" হিচাপে ইমানবোৰ চুক্তি আৰু ঘোষণাৰ বিষয় হোৱা নাই- এই সকলোবোৰৰ লক্ষ্য হৈছে ইয়াক সকলো ধৰণেৰে সম্পূৰ্ণ নিষিদ্ধ কৰা, কিন্তু নিৰ্যাতন নিৰ্মূলৰ প্ৰতিশ্ৰুতিৰ পিছতো প্ৰকৃত সত্যটো হ'ল যে বৰ্তমান নিৰ্যাতনৰ বিষয়টো আগতকৈও অধিক বিস্তৃত হৈ পৰিছে। "জিম্মাকালীন নিৰ্যাতন"হৈছে মানৱ মৰ্যাদাৰ স্খলন আৰু নগ্ন উলংঘন যিয়ে বহল পৰিসৰত ব্যক্তিত্বৰ পতনক বুজায় ।মানৱ মৰ্যাদাৰ ওপৰত কৰা ই এক পৰিকল্পনামূলক আক্ৰমণ আৰু যেতিয়াই মানৱ মৰ্যাদা আঘাতপ্ৰাপ্ত হয়, সভ্যতা আৰু এখোজ পিছুৱাই যায় আৰু মানৱতাৰ ধ্বজা এনে প্ৰতিটো ক্ষেত্ৰতে অৱনমিত হৈ পৰে।

সকলো জিম্মাকালীন অপৰাধতে প্ৰকৃত চিন্তাৰ বিষয়টো হ'ল কেৱল শাৰীৰিক কষ্টই নহয়, ইয়াৰ লগতে মানসিক যন্ত্ৰণা যিটো থানা বা লক-আপৰ চাৰি দেৱালৰ ভিতৰত আবদ্ধ হৈ এজন ব্যক্তিয়ে ভোগ কৰিবলগীয়া হয়। আৰক্ষীৰ জিম্মাত শাৰীৰিক আক্ৰমণেই হওক বা ধৰ্ষণেই হওক, এজন ব্যক্তিয়ে কিমান আঘাতৰ সন্মুখীন হয় সেয়া আইনৰ পৰিসৰৰ বাহিৰত।

"জিম্মাকালীন হিংসা" আৰু আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰ এই দেশৰেই নহয়, ই হৈছে এটা বিস্তৃত বিষয়। ই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চিন্তাৰ বিষয় হৈ পৰিছে কাৰণ এই সমস্যাটো সাৰ্বজনীন আৰু প্ৰত্যাহ্বানটো প্ৰায় বিশ্বব্যাপী। ১৯৮৪ চনত বিশ্বব্যাপী কিছুমান মৌলিক মানৱ অধিকাৰৰ সুৰক্ষা আৰু নিশ্চয়তাৰ এটা প্ৰৱণতা গঢ় লৈ

উঠিছিল যাৰ সন্দৰ্ভত সংবিধানৰ ৫ নং অনুচ্ছেদত উল্লেখ আছে যে "কোনো ব্যক্তিকে নিৰ্যাতন বা অত্যাচাৰ, অমানৱীয় বা অপমানসূচক ব্যৱহাৰ বা শাস্তি প্ৰদান কৰা নহ'ব।" এই মহৎ ঘোষণাৰ পিছত,প্ৰতিখন সভ্য ৰাষ্ট্ৰই ইয়াৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰে আৰু ইয়াৰ নিৰ্মূলৰ বাবে পদক্ষেপ লয় যদিও বৰ্তমানেও এনে অপৰাধ অব্যাহত আছে।

ইংলেণ্ডত এসময়ত অপৰাধ, অপৰাধ সংঘটিত কৰাত সহায়কাৰী ব্যক্তি আৰু গোচৰৰ সম্পত্তি সম্পৰ্কে তথ্য লাভ কৰা বা স্বীকাৰোক্তি আহৰণ কৰাৰ বাবে কৰা অত্যাচাৰক এক স্বাভাৱিক প্ৰথা হিচাপে গণ্য কৰা হৈছিল, কিন্তু সাধাৰণ আইনৰ বিকাশ,মানৱীয় চিন্তা আৰু দৃষ্টিভংগীৰে গঢ় লৈ উঠা অধিক মৌলবাদী ধাৰণাবোৰৰ সৈতে, এনে অমানৱীয় আচৰণবোৰ প্ৰথমতে নিৰুৎসাহিত কৰা হৈছিল আৰু অৱশেষত কিছু কিছু বিভ্ৰান্তি থকা স্বত্বেও প্ৰায় আঁতৰাই পেলোৱা হৈছিল। ইংলেণ্ডত গ্ৰেপ্তাৰ, আটক আৰু জেৰাৰ ক্ষেত্ৰত আৰক্ষীৰ ক্ষমতা সন্দৰ্ভত ছাৰ চাইৰিল ফিলিপছ কমিটীয়ে' ফৌজদাৰী প্ৰক্ৰিয়াৰ ওপৰত ৰয়েল কমিছনৰ প্ৰতিবেদন' (১৯৮১ চনৰ কমাণ্ড কাগজ ৮০৯২)ত গভীৰভাৱে পৰ্যালোচনা কৰিছিল। ৰয়েল কমিছনৰ এই প্ৰতিবেদনখন পৰামৰ্শমূলক। গ্ৰেপ্তাৰৰ ক্ষমতাৰ সন্দৰ্ভত প্ৰতিবেদনত পৰামৰ্শ দিয়া হৈছে যে ৱাৰেণ্ট অবিহনে গ্ৰেপ্‌তাৰ কৰাৰ ক্ষমতা গ্ৰেপ্তাৰৰ উদ্দেশ্য সাধনৰ সৈতে জড়িত আৰু ইয়াৰ দ্বাৰা সীমিত হ'ব লাগিব যাতে সন্দেহজনক ব্যক্তিয়ে প্ৰমাণ ধ্বংস কৰা বা সাক্ষী বা সহযোগী যিসকলক এতিয়াও গ্ৰেপ্তাৰ কৰা হোৱা নাই,তেওঁলোকক সতৰ্ক কৰা বা বাধা দিয়াৰ আৰু য'ত অপৰাধৰ পুনৰাবৃত্তিৰ সন্দেহ কৰাৰ যথেষ্ট থল আছে। কিন্তু গ্ৰেপ্তাৰৰ উদ্দেশ্য নিহিত হৈ থকা প্ৰতিটো গোচৰৰ ক্ষেত্ৰত এনে নহয়।

১৫. ৰয়েল কমিছনে "প্ৰয়োজনীয় নীতিৰ" ভিত্তিত গ্ৰেপ্তাৰৰ ক্ষমতাৰ ওপৰত কিছুমান নিষেধাজ্ঞা আৰোপ কৰাৰ পৰামৰ্শ দিছিল। ৰয়েল কমিছনে পৰামৰ্শ দিয়ে যে:

"............. আমি পৰামৰ্শ দিওঁ যে কোনো অপৰাধৰ বাবে গ্ৰেপ্তাৰ হোৱাৰ পিছত আটক কৰাৰ ক্ষেত্ৰত তলত দিয়া এটা বা তাতকৈ অধিক চৰ্ত থাকিব লাগে।"

(ক) চমন প্ৰদান কৰিব বুলি ব্যক্তিজনে যদি নিজকে চিনাক্ত কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে।

(খ)সেই অপৰাধ অব্যাহত ৰখা বা পুনৰাবৃত্তি হোৱাত বাধা দিয়াৰ প্ৰয়োজনীয়তা;

(গ) গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ নিজকে বা আন ব্যক্তি বা সম্পত্তিক সুৰক্ষা দিয়াৰ প্ৰয়োজনীয়তা;

(ঘ) সেই অপৰাধৰ বা তাৰ সৈতে জড়িত প্ৰমাণ সুৰক্ষিত বা সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা বা সন্দেহজনক ব্যক্তিজনক জেৰা কৰি এনে প্ৰমাণ লাভ কৰাৰ প্ৰয়োজনীয়তা;আৰু

(ঙ) ব্যক্তিজনে তেওঁৰ বিৰুদ্ধে উত্থাপিত যিকোনো অভিযোগৰ উত্তৰ দিবলৈ আদালতত হাজিৰ নোহোৱাৰ সম্ভাৱনা।"

ৰয়েল কমিছনে লগতে পৰামৰ্শ দিছিল:

"গ্ৰেপ্তাৰৰ সংখ্যা হ্ৰাস কৰাত সহায় কৰিবলৈ আমি ইয়াত অন্টাৰিঅ'ত ব্যৱহৃত এখন আঁচনি প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ দিম যাৰ দ্বাৰা এজন আৰক্ষী বিষয়াই "উপস্থিতিৰ জাননী" জাৰী কৰিব পাৰিব। সেই পদ্ধতিৰে গ্ৰেপ্তাৰৰ আশ্ৰয় নোলোৱাকৈ থানাত উপস্থিত কৰাব পাৰি যদিও গ্ৰেপ্তাৰৰ ক্ষমতা থাকে, যেনে আঙুলিৰ ছাপ লোৱাৰ জৰিয়তে বা চিনাক্তকৰণ পেৰেডত অংশগ্ৰহণ কৰা। সন্দেহজনক ব্যক্তি আৰু গোচৰৰ তদন্ত কৰা আৰক্ষী বিষয়া উভয়ৰে সুবিধাজনক সময়ত সাক্ষাৎকাৰৰ বাবে উপস্থিত হোৱাৰ ক্ষেত্ৰতো এই পদ্ধতি প্ৰয়োগ কৰিব পৰা যাব......"

ৰয়েল কমিচনে দিয়া পৰামৰ্শৰ ভিত্তিত ইংলেণ্ডত এতিয়া গ্ৰেপ্তাৰ, জেৰা আৰু আটক কৰাৰ ক্ষমতা শৃংখলাবদ্ধ কৰা হৈছে আৰু আৰক্ষী আৰু ফৌজদাৰী সাক্ষ্য আইন, ১৯৮৪ত অন্তৰ্ভুক্ত কৰা হৈছে আৰু তাত জিম্মাকালীন নিৰ্যাতনৰ প্ৰাদুৰ্ভাৱ বহু পৰিমাণে ৰোধ কৰিব পৰা হৈছে।

ভাৰতৰ সংবিধানত মৌলিক অধিকাৰসমূহে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। ২১ নং অনুচ্ছেদত উল্লেখ আছে যে "আইনৰ দ্বাৰা নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি কোনো ব্যক্তিক তেওঁৰ জীৱন বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰা নহ'ব" । এইদৰে ব্যক্তিগত স্বাধীনতা সংবিধানৰ অধীনত এক পবিত্ৰ আৰু উপভোগ্য অধিকাৰ। "ব্যক্তিগত স্বাধীনতাৰ সৈতে জীৱন যাপন" অভিব্যক্তিটোৱে মানুহে মৰ্যাদাৰে জীয়াই থকাৰ

অধিকাৰকো সামৰি লোৱা বুলি ধৰা হৈছে আৰু সেই অনুসৰি ইয়াৰ ভিতৰত চৰকাৰ বা ইয়াৰ আন বিভাগসমূহৰ দ্বাৰা আৰোপ কৰা নিৰ্যাতন আৰু আক্ৰমণৰ বিৰুদ্ধে সুৰক্ষাৰ নিশ্চয়তাও অন্তৰ্ভুক্ত কৰিব। ২২ নং অনুচ্ছেদত কিছুমান ক্ষেত্ৰত গ্ৰেপ্তাৰ আৰু আটকৰ বিৰুদ্ধে সুৰক্ষাৰ নিশ্চয়তা দিয়া হৈছে আৰু লগতে উল্লেখ কৰা হৈছে যে গ্ৰেপ্তাৰ কৰা কোনো ব্যক্তিক এনে গ্ৰেপ্তাৰৰ কাৰণ সম্পৰ্কে অৱগত নকৰাকৈ জিম্মাত ৰখা নহ'ব আৰু তেওঁৰ পচন্দৰ অধিবক্তাৰ দ্বাৰা পৰামৰ্শ গ্ৰহণ কৰাত আৰু সুৰক্ষা লাভ কৰাৰ তেওঁৰ যি অধিকাৰ ,সেইয়া অস্বীকাৰ কৰা নহ'ব। ২২ নং অনুচ্ছেদৰ দফা (২)ত নিৰ্দেশ দিয়া হৈছে যে গ্ৰেপ্তাৰ কৰা আৰু জিম্মাত ৰখা ব্যক্তিজনক গ্ৰেপ্তাৰৰ স্থানৰ পৰা আদালতলৈ যোৱাৰ বাবে প্ৰয়োজনীয় সময়খিনি বাদ দি এনে গ্ৰেপ্তাৰৰ ২৪ ঘন্টাৰ ভিতৰত নিকটতম দণ্ডাধীশৰ আগত হাজিৰ কৰিব লাগিব। সংবিধানৰ ২০(৩) অনুচ্ছেদত উল্লেখ আছে যে কোনো অপৰাধৰ অভিযোগত অভিযুক্ত ব্যক্তিক নিজৰ বিৰুদ্ধে সাক্ষী হ'বলৈ বাধ্য কৰাব নোৱাৰিব। চৰকাৰৰ কোনো যুক্তিহীন উৎপীড়নমূলক কাৰ্যৰ বিৰুদ্ধে এজন ব্যক্তিৰ ব্যক্তিগত স্বাধীনতা সুৰক্ষিত কৰাৰ উদ্দেশ্যে এইসমূহ হৈছে কিছুমান সাংবিধানিক সুৰক্ষা। সাংবিধানিক সুৰক্ষাৰ সৈতে সংগতি ৰাখি কেইবাটাও আইনী বিধানেও নাগৰিকৰ ব্যক্তিগত স্বাধীনতা, মৰ্যাদা আৰু মৌলিক অধিকাৰৰ ৰক্ষণাবেক্ষণ দিব বিচাৰে। ফৌজদাৰী কাৰ্যবিধি আইন ১৯৭৩ৰ পঞ্চম অধ্যায়ত এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰাৰ ক্ষমতা আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে আৰক্ষীয়ে গ্ৰহণ কৰিব লগা সুৰক্ষাৰ বিষয়ে উল্লেখ কৰা হৈছে। চি আৰ পিচি ৪১নং ধাৰাই কোনো আৰক্ষী বিষয়াক কোনো আদেশ বা দণ্ডাধীশৰ পৰা গ্ৰেপ্তাৰৰ পৰোৱানা নোহোৱাকৈয়ে তাত উল্লেখ কৰা পৰিস্থিতিত কোনো এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰাৰ ক্ষমতা প্ৰদান কৰে। ৪৬ নং ধাৰাত গ্ৰেপ্তাৰৰ পদ্ধতি আৰু ধৰণৰ কথা উল্লেখ কৰা হৈছে। এই ধাৰা অনুসৰি, এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰাৰ সময়ত কোনো আনুষ্ঠানিক নিয়মৰ প্ৰয়োজন নাই। ৪৯ নং ধাৰাই আৰক্ষীয়ে ব্যক্তিজনক পলোৱাত বাধা দিবলৈ প্ৰয়োজনীয়তকৈ অধিক কঠোৰ হোৱাৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰা নাই। ৫০ নং ধাৰাত যিকোনো ব্যক্তিক পৰোৱানা অবিহনে গ্ৰেপ্তাৰ কৰা প্ৰতিজন আৰক্ষী বিষয়াই তেওঁক গ্ৰেপ্তাৰ কৰা অপৰাধৰ সম্পূৰ্ণ বিৱৰণ আৰু এনে গ্ৰেপ্তাৰৰ ভিত্তিৰ বিষয়ে জনোৱাৰ নিৰ্দেশ দিয়া হৈছে। আৰক্ষী বিষয়াসকলক লগতে নিৰ্দেশ প্ৰদান কৰা হৈছে যে তেওঁ গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক জনাই দিব যে তেওঁ জামিনত মুক্তি পোৱাৰ অধিকাৰী আৰু তেওঁ জামিনবিহীন অপৰাধৰ

বাবে গ্ৰেপ্তাৰ হ'লে জামিনদাৰৰ ব্যৱস্হা কৰিব পাৰে। ৫৬ নং ধাৰাত এটা বাধ্যতামূলক ব্যৱস্থা আছে যে ৱাৰেণ্ট অবিহনে গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক আৰক্ষী বিষয়াই অনতিপলমে দণ্ডাধীশৰ আগত হাজিৰ কৰিব লাগিব আৰু ৫৭ নং ধাৰাত ভাৰতীয় সংবিধানৰ ২২ নং অনুচ্ছেদৰ (২) নং দফাটো প্ৰতিফলিত হৈছে। ৫৩, ৫৪ আৰু ১৬৭ নং ধাৰাৰ দৰে আন কিছুমান বিধানো আছে যিবোৰৰ লক্ষ্য হৈছে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ব্যক্তিক বিধিসন্মত সুৰক্ষা প্ৰদান কৰা। যেতিয়াই আৰক্ষীৰ জিম্মাত কোনো ব্যক্তিৰ মৃত্যু হয়, তেতিয়াই ১৭৬নং ধাৰাত দণ্ডাধীশে মৃত্যুৰ কাৰণ সন্দৰ্ভত তদন্ত কৰিব লাগিব।

অৱশ্যে, এজন নাগৰিকৰ ব্যক্তিগত স্বাধীনতা আৰু জীৱন সুৰক্ষিত কৰাৰ লক্ষ্যৰে সাংবিধানিক আৰু আইনী ব্যৱস্থা থকা স্বত্বেও, আৰক্ষীৰ জিম্মাত অত্যাচাৰ আৰু মৃত্যুৰ ঘটনা বৃদ্ধি হোৱাটো এক উদ্বেগজনক কাৰণ হৈ পৰিছে।পূৰ্বৰ ঘটনাসমূহৰ পৰা দেখা যায় যে তদন্তৰ সময়ত মানৱ অধিকাৰৰ অতি বেয়াকৈ উলংঘন হয়, যেতিয়া প্ৰমাণ বা স্বীকাৰোক্তি সুৰক্ষিত কৰাৰ লক্ষ্যৰে আৰক্ষীয়ে প্ৰায়ে অত্যাচাৰকে ধৰি কঠোৰ পন্থাৰ আশ্ৰয় লয় আৰু গ্ৰেপ্তাৰ সম্পৰ্কে লিপিবদ্ধ নকৰাকৈ বা ব্যক্তিজনৰ স্বাধীনতা খৰ্ব হোৱাটোক কেৱল দীঘলীয়া জেৰা বুলি অভিহিত কৰি স্ক্ৰীণিং গ্ৰেপ্তাৰৰ( screening arrest) কৌশল গ্ৰহণ কৰে।ৰাতিপুৱাৰ বাতৰি কাকতবোৰত প্ৰায় প্ৰতিদিনে আৰক্ষী বা অন্যান্য চৰকাৰী সংস্থাৰ জিম্মাত অমানৱীয় নিৰ্যাতন, আক্ৰমণ, ধৰ্ষণ আৰু মৃত্যুৰ ঘটনা পঢ়িবলৈ পোৱাটো সঁচাকৈয়ে হতাশজনক। জিম্মাত চলোৱা অত্যাচাৰ আৰু মৃত্যুৰ বৰ্ধিত ঘটনাই ইমান এটা চিন্তনীয় অৱস্হাত উপনীত হৈছে যে ই আইনী নীতি আৰু ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ওপৰত থকা বিশ্বাসক প্ৰভাৱিত কৰিছে। সমাজখনত উদ্বিগ্নতাৰ সৃষ্টি হৈছে আৰু ন্যায়ৰ বাবে সমাজৰ যি আৰ্তনাদ সেইয়া অধিক তীব্ৰ হৈ উঠিছে।

ভাৰতত ৰাষ্ট্ৰীয় আৰক্ষী আয়োগৰ তৃতীয় প্ৰতিবেদনত জিম্মাকালীন নিৰ্যাতনে সামগ্ৰিকভাৱে সমাজখনত সৃষ্টি হোৱা বিৰূপ প্ৰভাৱৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।এই প্ৰতিবেদনত কিছুমান অতি উপযোগী পৰামৰ্শ আগবঢ়োৱা হৈছিল।যেনে:

"....... এটা বিচাৰযোগ্য গোচৰৰ তদন্তৰ সময়ত কৰা গ্ৰেপ্তাৰ নিম্নলিখিত যিকোনো এটা পৰিস্থিতিতে ন্যায়সঙ্গত বুলি গণ্য কৰা হ'ব পাৰে:-

১. যদি গোচৰটোত হত্যা, ডকাইতি, ধৰ্ষণ আদিৰ দৰে গুৰুতৰ অপৰাধ জড়িত হৈ থাকে আৰু অভিযুক্তক গ্ৰেপ্তাৰ কৰি তেওঁৰ গতিবিধিক নিয়ন্ত্ৰণত আনি ভীতিগ্ৰস্ত ভুক্তভোগীসকলৰ মাজত আস্থা জগাই তোলাটো প্ৰয়োজনীয় হয়।

২. যদি অভিযুক্তই পলায়ন কৰি আইনৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰি যোৱাৰ সম্ভাৱনা থাকে।

৩.যদি অভিযুক্তজনে হিংসাত্মক আচৰণত লিপ্ত হোৱাৰ সম্ভাৱনা থাকে আৰু তেওঁৰ গতিবিধি নিয়ন্ত্ৰণৰ আওতালৈ অনা নহ'লে তেওঁ আৰু অপৰাধ সংঘটিত কৰাৰ সম্ভাৱনা থাকে।

৪. অভিযুক্তজন যদি এজন অভ্যাসগত অপৰাধী আৰু জিম্মাত নাথাকিলে তেওঁ পুনৰ একে ধৰণৰ অপৰাধ কৰাৰ সম্ভাৱনা আছে। বিভাগীয় নিৰ্দেশনাৰ জৰিয়তে এই বিষয়ত গুৰুত্ব প্ৰদান কৰাটো বাঞ্ছনীয় হ'ব যে এজন আৰক্ষী বিষয়াই গ্ৰেপ্তাৰ কৰাৰ কাৰণবোৰ গোচৰ ডায়েৰীত লিপিবদ্ধ কৰিব লাগে, যাৰ দ্বাৰা নিৰ্ধাৰিত নিৰ্দেশনাৰ প্ৰতি তেওঁৰ দায়বদ্ধতা স্পষ্ট হয়।"

আৰক্ষী আয়োগৰ পৰামৰ্শই (উপৰোক্ত) ব্যক্তিগত স্বাধীনতা আৰু স্বাধীনতাৰ মৌলিক অধিকাৰৰ সমান্তৰাল সাংবিধানিক দিশটোক প্ৰতিফলিত কৰে। এই পৰামৰ্শসমূহে অৱশ্যে এতিয়ালৈকে কোনো বিধিগত মৰ্যাদা লাভ কৰা নাই।

যোগিন্দৰ কুমাৰ বনাম উত্তৰ প্ৰদেশ চৰকাৰ শীৰ্ষক গোচৰত[ ১৯৯৪ (৪) এছ চি চি, ২৬০]এই ন্যায়ালয়ে (যিটো গোচৰত আমাৰ মাজৰ আনন্দ, জে. এটা পক্ষত আছিল) গ্ৰেপ্তাৰৰ ক্ষেত্ৰত আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰৰ সম্পৰ্কে বিবেচনা কৰিছিল আৰু মত প্ৰকাশ কৰিছিল: "কাকো গ্ৰেপ্তাৰৰ বলি সজাব নোৱাৰি নোৱাৰি কাৰণ ই হৈছে আৰক্ষী বিষয়াৰ বাবে বিধিসন্মত কথা। গ্ৰেপ্তাৰৰ ক্ষমতা থকাটো এটা বিষয় আৰু ইয়াৰ প্ৰয়োগৰ যুক্তিযুক্ততা এটা বেলেগ বিষয়। অভিযোগৰ প্ৰকৃততা আৰু সত্যতাৰ বিষয় সন্দৰ্ভত কৰা তদন্তৰ পিছত সন্তুষ্টি লাভ নকৰাকৈ, ব্যক্তিজন জড়িত নোহোৱাকৈ আৰু আনকি গ্ৰেপ্তাৰৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰতো যুক্তিসংগত কাৰণ অবিহনে কাকো গ্ৰেপ্তাৰ কৰিব নালাগে। ব্যক্তিজনৰ স্বাধীনতাক অস্বীকাৰ কৰাটো এটা গুৰুতৰ বিষয়।

যোগিন্দৰ কুমাৰৰ গোচৰত (উপৰোক্ত) ৭.১.৯৪ তাৰিখে তদন্তৰ অধীনত থকা এটা গোচৰ সংক্ৰান্তত এজন অধিবক্তাক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁৰ বিষয়ে কোনো খবৰ নোপোৱাত আটক কৰা অধিবক্তাজনৰ পৰিয়ালৰ সদস্যই ১১.১.৯৪ তাৰিখে এই ন্যায়ালয়ৰ সন্মুখত বন্দী প্ৰত্যক্ষীকৰণ লেখ দাখিল কৰিছিল আৰু সেই জাননীমৰ্মে ১৪.১.৯৪ তাৰিখে অধিবক্তাজনক ন্যায়ালয়ত হাজিৰ কৰা হয়। আৰক্ষীৰ মন্তব্য আছিল যে ৭.১.৯৪ আৰু ১৪.১.৯৪ তাৰিখৰ সময়ছোৱাত অধিবক্তাজন কোনোপধ্যেই আটকাধীন অৱস্হাত নাছিল, বৰঞ্চ তেওঁ কেৱল কিছুমান গোচৰ ধৰা পেলোৱাত আৰক্ষীক সহায় কৰিছিল।গ্ৰেপ্তাৰ কৰা ব্যক্তিজনে বিষয়টো অন্য ধৰণেৰে দাঙি ধৰিলে। আৰক্ষীৰ ভাষ্যত ন্যায়ালয় সন্তুষ্ট হোৱা নাছিল। লক্ষ্য কৰা হৈছিল যে যদিও সেইদিনা বন্দী প্ৰত্যক্ষীকৰণ লেখখন মঞ্জুৰ কৰিব পৰা ন'গল কিন্তু অধিবক্তাজনক ৫ দিনৰ বাবে আটক কৰাৰ কিবা প্ৰয়োজন আছিল নে আৰু যদি আচলতে তেওঁ আটকাধীন অৱস্হাত নাছিল তেন্তে ন্যায়ালয়ক কিয় অৱগত কৰা হোৱা নাছিল, সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আৰু এই প্ৰশ্নৰ উত্তৰৰ প্ৰয়োজন আছিল। ইয়াৰ উপৰিও যদি ৫ দিনৰ বাবে আটকাধীন অৱস্হাত আছিল তেন্তে কি কাৰণত তেওঁক আটক কৰা হৈছিল। ন্যায়ালয়ে সেয়েহে গাজিয়াবাদৰ জিলা ন্যায়াধীশক বিশদভাৱে তদন্ত কৰি ৪ সপ্তাহৰ ভিতৰত নিজৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। গ্ৰেপ্তাৰৰ সময়ত আৰু পিছত মানৱ অধিকাৰ উলংঘাৰ অভিযোগ সন্দৰ্ভত ন্যায়ালয়ে উদ্বেগ প্ৰকাশ কৰে। ইয়াত লিখা আছিল:

"মানৱ অধিকাৰৰ পৰিসৰ বিস্তৃত হৈ গৈ আছে। একে সময়তে, অপৰাধৰ হাৰও বৃদ্ধি পাইছে। শেহতীয়াভাৱে, এই ন্যায়ালয়ে নিৰ্বিচাৰভাৱে কৰা গ্ৰেপ্তাৰৰ ক্ষেত্ৰত মানৱ অধিকাৰ উলংঘনৰ বিষয়ে অভিযোগ লাভ কৰি আহিছে। আমি দুয়োটাৰে মাজত কেনেকৈ ভাৰসাম্য বজাই ৰাখিম?

………………………………

এই দিশত বাস্তৱসন্মত দৃষ্টিভংগী গ্ৰহণ কৰা উচিত। গ্ৰেপ্তাৰৰ আইন হৈছে এফালে ব্যক্তিগত অধিকাৰ, স্বাধীনতা আৰু বিশেষাধিকাৰৰ মাজত ভাৰসাম্য ৰক্ষা কৰা আৰু অন্যহাতে, ই হৈছে ব্যক্তিগত কৰ্তব্য আৰু এজন ব্যক্তি অথবা সামূহিকভাৱে ব্যক্তিসকলৰ স্বাধীনতা আৰু বিশেষাধিকাৰৰ গুৰুত্ব আৰু ভাৰসাম্যতা ৰক্ষা কৰা; সাধাৰণ

ভাষাত, কি বিচৰা হৈছে আৰু ক'ত গুৰুত্ব দিব সেইটো নিৰ্ণয় কৰা আৰু অপৰাধী নে সমাজ, আইন উলংঘাকাৰী নে পালনকাৰী কোন প্ৰথমতে আহিব সেইয়া নিৰ্ণয় কৰা "

তাৰ পিছত এই ন্যায়ালয়ে গ্ৰেপ্তাৰৰ ক্ষেত্ৰত কিছুমান বিধিসন্মত "প্ৰয়োজনীয়তা" নিৰ্ধাৰণ কৰে।

আইনৰ শাসনৰ দ্বাৰা পৰিচালিত সভ্য সমাজত জিম্মাকালীন মৃত্যু হয়তো এটা অন্যতম ভয়াৱহ অপৰাধ। সংবিধানৰ ২১ আৰু ২২(১)নং অনুচ্ছেদৰ অন্তৰ্নিহিত অধিকাৰসমূহ অতি দৃঢ়তাৰে আৰু নিখুঁতভাৱে সুৰক্ষিত কৰাটো প্ৰয়োজনীয়। আমি সমস্যাটোক আওঁকাণ কৰিব নোৱাৰো। নিষ্ঠুৰ, অমানৱীয় বা অৱমাননামূলক ব্যৱহাৰকে ধৰি যিকোনো ধৰণৰ নিৰ্যাতন সংবিধানৰ ২১ নং অনুচ্ছেদৰ নিষেধাজ্ঞাৰ ভিতৰত পৰিব, সেয়া লাগিলে তদন্তৰ সময়তে হওক, জেৰাৰ সময়ত হওক বা অন্যান্য ধৰণে হওক। যদি চৰকাৰৰ কৰ্মকৰ্তাসকলেই আইন ভংগকাৰী হৈ পৰে, তেন্তে ই আইনৰ প্ৰতি অৱজ্ঞাৰ সৃষ্টি কৰাটো নিশ্চিত আৰু লগতে ই আইন-শৃংখলাহীনতাক উদগনি যোগাব আৰু প্ৰতিজন মানুহেই আইন হাতত তুলি লোৱাৰ এটা প্ৰৱণতা গঢ় লৈ উঠিব যাৰ ফলত অৰাজকতাৰ সৃষ্টি হ'ব। কোনো সভ্য সমাজে সেইটো হ'বলৈ অনুমতি প্ৰদান কৰিব নোৱাৰে। যেতিয়া এজন নাগৰিকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে, তেতিয়া তেওঁ নিজৰ জীৱনৰ মৌলিক অধিকাৰ হেৰুৱাই পেলায় নেকি? এজন নাগৰিকক গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁৰ জীৱনৰ অধিকাৰক স্থগিত কৰি ৰাখিব পাৰে নেকি? এই প্ৰশ্নবোৰে মানৱ অধিকাৰৰ মূল নীতিসমূহকো চুই যায় । ইয়াৰ উত্তৰটো নিশ্চিতভাৱে 'নহয়'। আইনৰ দ্বাৰা অনুমোদিত যুক্তিসঙ্গত নিষেধাজ্ঞা তথা নিৰ্ধাৰিত আইনী প্ৰক্ৰিয়াৰ বাহিৰে আন কোনো উপায়েৰে ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ দ্বাৰা প্ৰদান কৰা গুৰুত্বপূৰ্ণ অধিকাৰসমূহৰ পৰা অভিযুক্ত ব্যক্তি, বিচাৰাধীন হৈ থকা ব্যক্তি বা জিম্মাত থকা আটকাধীন ব্যক্তি বা বন্দীসকলক বঞ্চিত কৰিব নোৱাৰে।

নীলাবাতি বেহেৰা বনাম উৰিষ্যা চৰকাৰ[১৯৯৩ (২) এছচিচি, ৭৪৬], (যি গোচৰত আনন্দ, জে এটা পক্ষত আছিল) গোচৰটোত এই ন্যায়ালয়ে যুক্তি দাঙি ধৰিছিল যে ২১ নং অনুচ্ছেদৰ অধীনত বন্দী আৰু আটক কৰা ব্যক্তিসকলক তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা নহয় আৰু সেই বন্দী আৰু আটক কৰা ব্যক্তিসকলৰ

মৌলিক অধিকাৰ উপভোগৰ ক্ষেত্ৰত কেৱল আইনৰ দ্বাৰা অনুমোদিত নিষেধাজ্ঞাহে আৰোপ কৰিব পাৰি। এই কথা লক্ষ্য কৰা হৈছিল যে:

"এয়া স্বতঃস্ফূৰ্ত যে অভিযুক্ত, বন্দী বা বিচাৰাধীনসকলক ২১ নং অনুচ্ছেদৰ অধীনত তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা নহয় আৰু এনে ব্যক্তিৰ মৌলিক অধিকাৰ উপভোগ কৰাৰ ক্ষেত্ৰত কেৱল আইনৰ দ্বাৰা অনুমোদিত নিষেধাজ্ঞাহে জাপি দিব পাৰে। নাগৰিকজন জিম্মাত থকাৰ সময়ত আইনী পদ্ধতিৰ বাদে নাগৰিকৰ জীৱনৰ অখণ্ডনীয় অধিকাৰ যাতে আন কোনো ধৰণে উলংঘা নহয়, সেইটো নিশ্চিত কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য। নিৰ্ধাৰিত আইনী প্ৰক্ৰিয়াৰ বাহিৰে আন কোনো উপায়েৰে ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ দ্বাৰা প্ৰদান কৰা গুৰুত্বপূৰ্ণ অধিকাৰসমূহৰ পৰা অভিযুক্ত ব্যক্তি, বিচাৰাধীন হৈ থকা ব্যক্তি বা জিম্মাত থকা আটকাধীন ব্যক্তি বা বন্দীসকলক বঞ্চিত কৰিব নোৱাৰে। আৰক্ষী অথবা কাৰাগাৰ কৰ্তৃপক্ষৰ জিম্মাত থকা নাগৰিকজন যাতে জীৱনৰ অধিকাৰৰ পৰা বঞ্চিত নহয় তাৰ বাবে আৰক্ষী বা কাৰাগাৰ কৰ্তৃপক্ষৰ ওপৰত এক বৃহৎ দায়িত্ব থাকে। তেওঁৰ বন্দীত্বই স্বভাৱতে তেওঁৰ স্বাধীনতাক সীমাবদ্ধ কৰি তোলে, সেয়েহে বাকী থকা সীমিত স্বাধীনতা তেওঁৰ বাবে যথেষ্ট মূল্যৱান। চৰকাৰৰ যি কৰ্তব্য সেইয়া অতি নিৰ্দিষ্ট আৰু ইয়াৰ কোনো ব্যতিক্ৰম হোৱাটো মানি লোৱা নহয়। এই ক্ষেত্ৰত অন্যায়কাৰীজন জবাবদিহি হ'ব লাগিব আৰু আইনে নিৰ্ধাৰণ কৰা নীতিৰ বাহিৰে আৰক্ষীৰ জিম্মাত থকা ব্যক্তিজন অধিকাৰৰ পৰা বঞ্চিত হ'লে চৰকাৰ দায়ী হ'ব।"

এনে কিছুমান দৃষ্টান্ত আমাৰ দৃষ্টিগোচৰ হৈছে য'ত আৰক্ষীয়ে কোনো অপৰাধৰ তদন্তৰ সৈতে জড়িত কোনো ব্যক্তিক ৱাৰেণ্ট অবিহনে গ্ৰেপ্তাৰ কৰিছে,আৰু গ্ৰেপ্তাৰৰ তথ্য লিপিবদ্ধ নকৰাকৈয়ে গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক তদন্তৰ উদ্দেশ্যে বা তেওঁৰ পৰা অধিক তথ্য আহৰণ কৰিবলৈ বা স্বীকাৰোক্তি গ্ৰহণ কৰোতে ব্যক্তিজন নিৰ্যাতনৰ বলি হৈছে। গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ দেহত হোৱা নিৰ্যাতন আৰু আঘাতৰ ফলত কেতিয়াবা তেওঁৰ মৃত্যুও ঘটে। জিম্মাকালীন অৱস্হাত মৃত্যু ঘটিলে সাধাৰণতে লক-আপৰ ৰেকৰ্ডত দেখুওৱা নহয় আৰু আৰক্ষীয়ে মৃতদেহটো নিষ্কাশন কৰিবলৈ সকলোধৰণৰ প্ৰচেষ্টা চলায় বা গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ জিম্মাৰ পৰা মুকলি হোৱাৰ পিছতহে মৃত্যু হোৱা বুলি গোচৰত উল্লেখ কৰে। এনে নিৰ্যাতন বা মৃত্যুৰ বিৰুদ্ধে যিকোনো অভিযোগ

সাধাৰণতে ভাতৃত্বসুলভ সম্পৰ্কৰ বাবে আৰক্ষী বিষয়াসকলে কোনো গুৰুত্ব প্ৰদান নকৰে। ভুক্তভোগী বা তেওঁৰ আত্মীয়ৰ অনুৰোধত কোনো এফ আই আৰ সাধাৰণতে গ্ৰহণ কৰা নহয় আৰু আনকি উচ্চ আৰক্ষী বিষয়াসকলেও এনে অভিযোগৰ প্ৰতি চকু মুদাৰ ভাও ধৰে। আনকি য'ত ভুক্তভোগী বা তেওঁৰ আত্মীয়ই গোচৰ তৰে, তেনে ক্ষেত্ৰতো নিৰ্যাতন বা আঘাতৰ ফলত মৃত্যু হোৱা অভিযোগৰ প্ৰমাণ দিবলৈ কোনো প্ৰত্যক্ষ প্ৰমাণ উপলব্ধ নহয় কাৰণ সাধাৰণতে আৰক্ষীৰ লক–আপত হোৱা এনে নিৰ্যাতন বা আঘাত ৰাজহুৱা দৃষ্টিৰ পৰা আঁতৰত থাকে আৰু সাক্ষীসকল আৰক্ষীৰ লোক বা কাৰাবন্দীসকল যিয়ে আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলে প্ৰতিশোধ লোৱাৰ ভয়ত বিচাৰৰ সাক্ষী হিচাপে হাজিৰ হ'বলৈ অনিচ্ছুকতা প্ৰকাশ কৰে। প্ৰায়ে দেখা যায় যে যেতিয়া আৰক্ষীৰ জিম্মাত, নিৰ্যাতন, মৃত্যু বা আঘাতৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হয়, তেতিয়া কঠোৰ পন্থাৰ আশ্ৰয় লোৱা আৰক্ষীসকলৰ বিৰুদ্ধে প্ৰমাণ লাভ কৰাটো কঠিন হৈ পৰে যিহেতু তেওঁলোকে থানাৰ নথিভুক্তকৰণৰ দায়িত্বত থাকে আৰু সেয়েহে এনে তথ্যৰাজি হাত কৰাটো তেওঁলোকৰ বাবে সহজ হৈ পৰে। ফলস্বৰূপে,এনে অপৰাধী বিষয়াসকলৰ বিৰুদ্ধে গোচৰ চলিলেও তেওঁলোক নিৰ্দোষী বুলি প্ৰমাণিত হয়। মধ্য প্ৰদেশ চৰকাৰ বনাম শ্যামসুন্দৰ ত্ৰিবেদী শীৰ্ষক গোচৰটি আমি ওপৰত আগবঢ়োৱা আলোচনাৰ লগত সংগতি থকা এটা উপযুক্ত গোচৰ। সেই গোচৰত নাথু বঞ্জৰাক জেৰাৰ সময়ত ৰামপুৰাৰ থানাত অত্যাচাৰ কৰা হৈছিল। তেওঁৰ গুৰুতৰ আঘাতৰ ফলত থানাত আৰক্ষীৰ জিম্মাতে মৃত্যু হয়। বিচাৰত প্ৰতিবাদী পক্ষত থকা আৰক্ষী বিষয়াসকলে তেওঁলোকৰ সপক্ষে যুক্তি দাঙি ধৰিছিল যে ১৩.১০.১৯৮১ তাৰিখে ৰ'জনামচাত নাথু বঞ্জৰাক জেৰা কৰা পিছত প্ৰায় ১০.৩০ বজাত পত্ৰ প্ৰদৰ্শক নং ২২ যোগে আৰক্ষীৰ জিম্মাৰ পৰা মুকলি কৰি দিয়া হৈছিল আৰু ৬ নং প্ৰতিবাদী ৰমেশৰ অনুৰোধত ১৪.১০.১৯৮১ তাৰিখে পুৱা প্ৰায় ৭.০০ বজাত পত্ৰ প্ৰদৰ্শক নং ৯, মৃত্যুৰ প্ৰতিবেদন লিপিবদ্ধ কৰা হৈছিল যে "এজন অচিনাকি ব্যক্তি"ক টেংকিৰ কাষৰ গছ এজোপাৰ ওচৰত বুকুৰ বিষত চটফটাই থকা দেখা পোৱা গৈছিল আৰু ৬ নং প্ৰতিবাদীয়ে তেওঁৰ ওচৰ পোৱাৰ লগে লগে উক্ত ব্যক্তিজনৰ মৃত্যু হয়। থানাৰ প্ৰভাৰী বিষয়া ১ নং প্ৰতিবাদী এছ আই ত্ৰিবেদীয়ে পিছত গোচৰটোত যুক্তি দিছিল যে থানাৰ পৰা প্ৰস্হান কৰাৰ বিষয়ে পুৱা ৭.০০ বজাত ৰোজনামচাত এণ্ট্ৰি (entry) কৰাৰ পিছত তেওঁ (১ নং প্ৰতিবাদী– শ্যামসুন্দৰ ত্ৰিবেদী) আৰু কনিষ্টবল ৰাজাৰামে

চি.আৰ.পি.চি ১৭৪ নং ধাৰাৰ অধীনত তদন্ত চলোৱাৰ উদ্দেশ্যে মৃতদেহটো পৰি থকা বুলি কোৱা ঠাইলৈ আগবাঢ়িল।তেওঁ প্ৰতিবাদী ৰমেশ চন্দ্ৰ আৰু গোভাৰধানক সেই স্থানলৈ মাতি আনি তেওঁলোকৰ উপস্থিতিত পত্ৰ প্ৰদৰ্শক ২৭ অৰ্থাৎ মৃতদেহৰ এখন চুৰৎহাল প্ৰস্তুত কৰে আৰু এই সন্দৰ্ভত তেওঁলোকৰ মতামত লিপিবদ্ধ কৰা হৈছিল যে ব্যক্তিজনৰ মৃত্যুৰ কোনো নিৰ্দিষ্ট কাৰণ জনা হোৱা নাছিল।

প্ৰথম অতিৰিক্ত সত্ৰ ন্যায়াধীশে সকলো প্ৰতিবাদীকে অপৰাধৰ সৈতে জড়িত থকাটো প্ৰমাণ কৰিবলৈ কোনো প্ৰত্যক্ষ প্ৰমাণ নাই বুলি মত পোষণ কৰি সকলো অভিযোগৰ পৰা মুক্ত কৰে। মধ্যপ্ৰদেশ চৰকাৰে এই প্ৰতিবাদীসকলক দোষমুক্ত কৰাৰ আদেশৰ বিৰুদ্ধে আবেদন জনাইছিল আৰু উচ্চ ন্যায়ালয়ে ২ৰ পৰা ৭লৈকে প্ৰতিবাদীসকলক দোষমুক্ত কৰিছিল যদিও আইপিচি ২১৮,২০১ আৰু ৩৪২ নং ধাৰাত অপৰাধী সাব্যস্ত হোৱা বাবে ১ নং প্ৰতিবাদী শ্যামসুন্দৰ ত্ৰিবেদীক দোষমুক্ত হোৱাটো বাতিল কৰিছিল। অৱশ্যে আইপিচি ধাৰা ৩০২/১৪৯ আৰু ১৪৭ৰ অধীনত সংঘটিত অপৰাধৰ বাবে তেওঁ দোষমুক্ত হোৱাটো বাহাল ৰখা হৈছিল। সেই চৰকাৰে বিশেষ অনুমতিৰ আবেদনৰ জৰিয়তে এই ন্যায়ালয়ত আপীল কৰিছিল।এই আদালতে লক্ষ্য কৰিছিল যে বিচাৰ প্ৰক্ৰিয়াত প্ৰমাণিত হোৱা নিম্নলিখিত পৰিস্থিতিবোৰ প্ৰতিটো যুক্তিসঙ্গত সন্দেহৰ বাহিৰত আৰু সাক্ষী নং ১, ৩, ৪, ৮ আৰু ১৮ৰ প্ৰত্যক্ষ সাক্ষ্যৰ সৈতে লগ হৈ সেই পৰিস্থিতিসমূহ কেৱল প্ৰতিবাদীসকল দোষী সাব্যস্ত হোৱাৰ ধাৰণাৰ সৈতে সামঞ্জস্যতা আছিল আৰু তেওঁলোকৰ নিৰ্দোষিতাৰ সৈতে সংগতিপূৰ্ণ নাছিল: (এছ চি চি পৃষ্ঠা ২৭২ দফা ১৬)

" (ক) যে মৃতব্যক্তিজনক আৰক্ষী থানালৈ জীৱিত অৱস্থাত অনা হৈছিল আৰু শেষবাৰৰ বাবে ১৩.১০.১৯৮১ বজাত তাত জীৱিত অৱস্থাত দেখা গৈছিল; (খ) যে ১৪-১০-১৯৮১ তাৰিখে প্ৰায় দুপৰীয়া ২ বজাত মৃতকৰ মৃতদেহ চিকিৎসালয়লৈ নিয়াৰ উদ্দেশ্যে আৰক্ষী থানাৰ পৰা বাহিৰলৈ লৈ যোৱা হৈছিল;..... (গ) যে প্ৰতিবাদী নং ১ এছ আই ত্ৰিবেদী , প্ৰতিবাদী নং ৩ ৰাম নৰেশ শুক্লা, প্ৰতিবাদী নং ৪ ৰাজা ৰাম, আৰু প্ৰতিবাদী নং ৫ গণিউদ্দিন থানাত উপস্থিত আছিল আৰু সকলোৱে একেলগ হৈ নাথু-বঞ্জৰাৰ মৃতদেহটো নিষ্কাশন কৰিছিল; (ঘ) যে ১ নং প্ৰতিবাদী এছ আই ত্ৰিবেদীয়ে ভুৱা প্ৰমাণ দাঙি ধৰিছিল আৰু অপৰাধটো ঢাকি ধৰাৰ উদ্দেশ্যে নথিপত্ৰৰ দ্বাৰা প্ৰমাণ দাঙি ধৰি মিছা ইংগিত প্ৰদান কৰিছিল আৰু সেইটোৰ বাবে অপৰাধী (ঙ) প্ৰতিবাদী এছ আই

ত্ৰিবেদীয়ে তেওঁৰ কিছুমান কৰ্মচাৰীৰ সৈতে লগ হৈ যদিও মৃতকক 'অচিনাক্ত' বুলি বৰ্ণনা কৰি খৰখেদাকৈ মৃতদেহটো দাহ কৰাৰ পদক্ষেপ লৈছিল, তেওঁলোকে ব্যক্তিজনক ভালদৰেই জানিছিল যিহেতু তেওঁলোকে যথেষ্ট সময় ধৰি ব্যক্তিজনক জেৰা কৰিছিল। এই মতামত দিয়া হৈছিল যে:

"উচ্চ ন্যায়ালয়ৰ মত অনুসৰি নথিত থকা প্ৰমাণৰ পৰা এই প্ৰতিবাদীসকলৰ অপৰাধটোত জড়িত থকাটো সন্দেহজনক প্ৰমাণিত হোৱা নাই আৰু গোচৰীয়া পক্ষই প্ৰমাণিত কৰা পৰিস্থিতিত অবাস্তৱ যেন পৰিলক্ষিত হৈছে।"

আমাৰ মাজৰ এজনে (অৰ্থাৎ আনন্দ, জে.) ন্যায়ালয়ৰ ওপৰত মত আগবঢ়ায় যে:

"বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে, যদি আমি সন্মানেৰে কওঁ, নথিত থকা প্ৰমাণবোৰৰ পৰ্যবেক্ষণ কৰোতে সম্পূৰ্ণ সংবেদনশীলতাৰ অভাৱ আৰু "অসাৱধান" মনোভাৱ প্ৰদৰ্শন কৰিছিল আৰু ইয়াৰ দ্বাৰা অবৈধ হোৱা স্বত্বেও কিছুমান আৰক্ষী থানাত এতিয়াও ব্যৱহাৰ হৈ থকা বৰ্বৰ তথা কঠোৰ পন্থাসমূহ গ্ৰহণযোগ্য কৰি তুলিছিল। প্ৰতিটো যুক্তিসঙ্গত সন্দেহৰ উৰ্দ্ধত প্ৰমাণক প্ৰতিষ্ঠা কৰিবলৈ অতিমাত্ৰা লাগি থকা বা জোৰ দিয়া হয় আৰু বৰ্তমানৰ ঘটনাটোৰ দৰে, এটা গোচৰৰ বিচাৰত প্ৰকৃত সত্যক, প্ৰকৃত ঘটনাটোক আৰু সেই বিশেষ পৰিস্হিতিটোক উপেক্ষা কৰা হয় যাৰ ফলত প্ৰায়ে ন্যায়ৰ স্খলন হয় আৰু এনে ঘটনাই ন্যায় প্ৰদান ব্যৱস্হাক সন্দেহজনক কৰি তোলে। অৱশেষত সমাজে ভুগিব লগা হয় আৰু এজন অপৰাধীক উৎসাহিতহে কৰা হয়। আৰক্ষীৰ জিম্মাত চলোৱা অত্যাচাৰ, যি পলমকৈ বৃদ্ধি পাইছে, আদালতৰ এই ধৰণৰ অবাস্তৱ দৃষ্টিভংগীৰ দ্বাৰা উদগনি যোগোৱা হয় কিয়নো এনে ঘটনাই আৰক্ষীৰ মনত প্ৰত্যয় জন্মায় যে যদি লক-আপত এজন বন্দীৰ মৃত্যু হয় তেন্তে তেওঁলোকৰ কোনো ক্ষতি নহয় কাৰণ সেই নিৰ্যাতনৰ লগত তেওঁলোকক প্ৰত্যক্ষভাৱে জড়িত কৰিবলৈ গোচৰীয়া পক্ষৰ ওচৰত কোনো প্ৰমাণ নাথাকে। ন্যায়ালয়ে এই কথাটোৰ গুৰুত্ব পাহৰি যাব নালাগে যে আৰক্ষীৰ জিম্মাত হোৱা মৃত্যু সম্ভৱতঃ আইনৰ শাসনৰ দ্বাৰা পৰিচালিত এখন সভ্য সমাজত সংঘটিত হোৱা আটাইতকৈ বেয়া ধৰণৰ অপৰাধৰ ভিতৰত এটা আৰু এক সুশৃংখল সভ্য সমাজৰ বাবে এটা ভাবুকিৰ সৃষ্টি কৰিছে।"

এই ন্যায়ালয়ে তেতিয়া পৰামৰ্শ দিছিল যে:

"ন্যায়ালয়বোৰে বিশেষকৈ জিম্মাকালীন অপৰাধৰ সৈতে জড়িত গোচৰসমূহৰ ক্ষেত্ৰত তেওঁলোকৰ দৃষ্টিভংগী আৰু ভাৱধাৰাৰ পৰিৱৰ্তন কৰিব লাগিব, আৰু তেওঁলোকে অধিক সংবেদনশীলতা প্ৰদৰ্শন কৰিব লাগে আৰু জিম্মাকালীন অপৰাধৰ সৈতে জড়িত গোচৰসমূহৰ ক্ষেত্ৰত এক সংকীৰ্ণ কৃত্ৰিম দৃষ্টিভংগীৰ সলনি বাস্তৱিক দৃষ্টিভংগী অৱলম্বন কৰিব লাগে যাতে তেওঁলোকৰ ক্ষমতাৰ ভিতৰত যিমান সম্ভৱ, দোষীসকলক সাৰি যাবলৈ নিদিয়ে আৰু অপৰাধৰ ভুক্তভোগীয়েও অৱশেষত ন্যায়ৰ ধাৰা অব্যাহত আছে বুলি সন্তুষ্টি লাভ কৰে।"

চৰকাৰৰ আৱেদনখন গ্ৰহণ কৰা হৈছিল আৰু প্ৰতিবাদী নং ১,৩,৪ আৰু ৫ ক দোষমুক্ত হোৱাটো বাতিল কৰা হৈছিল। প্ৰতিবাদীসকলক ৩০৪নং ধাৰাৰ খণ্ড ২ /৩৪ আইপিচিৰ ধাৰাৰ অধীনত কৰা অপৰাধকে ধৰি বিভিন্ন অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল আৰু বিভিন্ন ম্যাদৰ কাৰাদণ্ড আৰু ২০,০০০/- টকাৰ পৰা ৫০,০০০/-টকালৈকে জৰিমনা বিহা হৈছিল।জৰিমনাটো নাথু বনজাৰাৰ উত্তৰাধিকাৰীসকলক ক্ষতিপূৰণ হিচাপে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। ইয়াৰ লগতে আৰু নিৰ্দেশনা দিয়া হৈছিল:

"বিচাৰ আদালতে নিশ্চিত কৰিব যে, যদিহে অভিযুক্ত প্ৰতিবাদীসকলে জৰিমনা জমা কৰে, তেন্তে সেই জৰিমনা মৃত নাথু বঞ্জাৰাৰ উত্তৰাধিকাৰীসকলক দিয়া হয়, আৰু আদালতে সেই ধনখিনি যাতে ভুল হাতত নপৰে, সেই অৰ্থে প্ৰয়োজনীয় সকলো সাৱধানতা অৱলম্বন কৰিব আৰু যাতে সেই ধনৰাশি মৃত নাথু বাঞ্জাৰাৰ পৰিয়ালৰ সদস্যসকলৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰা হয়।বিচাৰ আদালতে মৃতকৰ উত্তৰাধিকাৰীসকলৰ সৈতে আলোচনা কৰি যদিহে উপযুক্ত আৰু সঠিক বুলি বিবেচনা কৰে,তেন্তে ৰাষ্ট্ৰীয়কৃত বেংক বা ডাকঘৰত জমা কৰিব পাৰে ।"

এইটো কোৱাৰ প্ৰয়োজন নাই যে যেতিয়া অপৰাধটো শাস্তিবিহীন হয়, অপৰাধীসকলক ইয়াৰ দ্বাৰা উৎসাহিত কৰা হয় আৰু সমাজখন ক্ষতিগ্ৰস্ত হয়। অপৰাধৰ ভুক্তভোগী বা তেওঁৰ আত্মীয়সকল হতাশ হৈ পৰে আৰু আইনৰ প্ৰতি অৱজ্ঞাৰ ভাৱ আহে। এই দিশবোৰ বিবেচনা কৰি আইন আয়োগে ইয়াৰ ১১৩ তম প্ৰতিবেদনত ভাৰতীয় সাক্ষ্য আইনত ১১৪থ ধাৰা অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ দিছিল। আইন আয়োগে ইয়াৰ ১১৩ তম প্ৰতিবেদনত পৰামৰ্শ দিছিল যে এজন ব্যক্তিক শাৰীৰিক আঘাত কৰাৰ অভিযোগত

এজন আৰক্ষী বিষয়াৰ বিৰুদ্ধে তৰা গোচৰত  যদি প্ৰমাণ হয় যে ব্যক্তিজন আৰক্ষীৰ জিম্মাত থকা সময়ছোৱাত আঘাতপ্ৰাপ্ত হৈছিল, ন্যায়ালয়ে অনুমান কৰিব পাৰে যে সেই সময়ছোৱাত জিম্মাৰ দায়িত্বত থকা আৰক্ষী বিষয়াজনে তেওঁক জখম কৰিছিল। আয়োগে আৰু পৰামৰ্শ দিয়ে যে ন্যায়ালয়ে অনুমানৰ ধাৰণাটো বিবেচনা কৰাৰ সময়ত জিম্মাত লোৱাৰ সময়সীমা,ভুক্তভোগীৰ জবানবন্দী, চিকিৎসাৰ প্ৰমাণ আৰু দণ্ডাধীশে লিপিবদ্ধ কৰা সাক্ষ্যকে ধৰি সকলো প্ৰাসংগিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।এইদৰে প্ৰমাণৰ ভাৰ( burden of proof)ধাৰণাটো সলনি কৰাৰ পোষকতা কৰা হৈছিল, ।শ্যাম সুন্দৰ ত্ৰিবেদীৰ গোচৰত (উপৰোক্ত) এই ন্যায়ালয়েও এই আশা প্ৰকাশ কৰিছিল যে চৰকাৰ আৰু আইন মণ্ডলে আইন আয়োগৰ পৰামৰ্শৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব। দুৰ্ভাগ্যজনকভাৱে,উক্ত সংশোধনীটো এতিয়ালৈকে বিধিখনত অন্তৰ্ভুক্ত কৰা হোৱা নাই। সংশোধনীৰ প্ৰয়োজনীয়তাক পুনৰ দোহৰাৰ কোনো প্ৰয়োজন নাই – জিম্মাকালীন হিংসা, নিৰ্যাতন আৰু জিম্মাত হোৱা মৃত্যু আদি ঘটনাই  সংশোধনীৰ প্ৰয়োজনীয়তাক যুক্তিযুক্ত কৰি তোলে আৰু আমি এই ক্ষেত্ৰত সংসদে গুৰুত্ব প্ৰদান কৰাটো বিচাৰো।

আৰক্ষী, নিঃসন্দেহে, এক আইনী কৰ্তব্যৰ অধীনত আছে আৰু অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ আৰু অপৰাধৰ তদন্তৰ সময়ত তেওঁক জেৰা কৰাৰ আৰক্ষীৰ বৈধ অধিকাৰ আছে। কিন্তু মনত ৰাখিব লাগিব যে আইনে অপৰাধ সমাধানৰ উদ্দেশ্যেৰে জিম্মাত ৰখা অভিযুক্তক কঠোৰ পন্থাৰ বা নিৰ্যাতনৰ অনুমতি নিদিয়ে। সমাপ্তি কেতিয়াও সমাধান হ'ব নোৱাৰে। কোনো অপৰাধৰ জেৰা আৰু তদন্ত প্ৰকৃত অৰ্থত তদন্ত ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে হ'ব লাগে। এজন ব্যক্তিক অত্যাচাৰ কৰি আৰু কঠোৰ পন্থা ব্যৱহাৰ কৰি, আৰক্ষীয়ে বন্ধ দুৱাৰৰ আঁৰত সেইখিনি সম্পন্ন কৰে যিখিনি আমাৰ আইনী ব্যৱস্থাৰ দাবীয়ে নিষিদ্ধ কৰে।কোনো সমাজে ইয়াৰ অনুমতি দিব নোৱাৰে।

আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰ আমি কেনেকৈ পৰীক্ষা কৰিম? কামৰ স্বচ্ছতা আৰু জবাবদিহিতা হয়তো দুটা সম্ভাব্য সুৰক্ষা ব্যৱস্হা যিবোৰৰ ওপৰত এই ন্যায়ালয়ে জোৰ দিব লাগিব। মৌলিক মানৱীয় মূল্যবোধৰ সৈতে সংগতি ৰাখি কৰ্ম সংস্কৃতি, প্ৰশিক্ষণ আৰু আৰক্ষী বাহিনীৰ অভিমুখীকৰণ সঠিকভাৱে গঢ়ি তোলাৰ বাবেও মনোযোগ দিয়াৰ প্ৰয়োজন। আৰক্ষীৰ প্ৰশিক্ষণ পদ্ধতিৰ নতুনকৈ গঠনৰ প্ৰয়োজন আহি

পৰিছে।তেওঁলোকৰ মাজত মৌলিক মানৱীয় মূল্যবোধ গঢ়ি তোলাৰ লগতে সাংবিধানিক নীতি-নিয়মৰ প্ৰতি সংবেদনশীল কৰি তোলাৰ প্ৰয়োজন। আৰক্ষীৰ মনোভাৱ আৰু দৃষ্টিভংগী সলনি কৰাৰ প্ৰচেষ্টা চলাব লাগিব যাতে তেওঁলোকে তদন্ত পৰিচালনাৰ সময়ত, মৌলিক মানৱীয় মূল্যবোধখিনি পাহৰি নেপেলায় আৰু সন্দেহজনক ধৰণৰ জেৰাৰ আশ্ৰয় নলয়। এক নিকা ব্যৱস্হা গঢ়াৰ লক্ষ্যৰে, আৰক্ষীয়ে জেৰা কৰাৰ কোনো এটা সময়ত গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ অধিবক্তাৰ উপস্থিতিয়ে জেৰাৰ সময়ত কঠোৰ পন্থা ব্যৱহাৰ কৰাত বাধা প্ৰদান কৰিব পাৰে।

আৰক্ষীৰ উপৰিও আন কেইবাটাও চৰকাৰী কৰ্তৃপক্ষও আছে যেনে ৰাজহ চোৰাংচোৱা সঞ্চালকালয়, প্ৰৱৰ্তন সঞ্চালকালয়, উপকূলীয় ৰক্ষা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চি আৰ পি এফ), সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ), কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী (চি আই এছ এফ), ৰাজ্যিক সশস্ত্ৰ আৰক্ষী, চোৰাংচোৱা সংস্থা যেনে চোৰাংচোৱা ব্যুৰো, আৰ.এ.ডব্লিউ, কেন্দ্ৰীয় চোৰাংচোৱা সংস্হা(চিবিআই), চিআইডি, ট্ৰেফিক পুলিচ, অশ্বাৰোহী আৰক্ষী আৰু আইটিবিপি যাৰ কোনো ব্যক্তিক আটক কৰা আৰু অৰ্থনীতিৰ লগত জড়িত অপৰাধ,অত্যাৱশ্যকীয় সামগ্ৰী আইন, আবকাৰী আৰু শুল্ক আইন,বৈদেশিক মুদ্ৰা বিনিয়ম আইনৰ অধীনত সংঘটিত কৰা অপৰাধ তদন্তৰ ক্ষেত্ৰত জেৰা কৰাৰ ক্ষমতা আছে। লগতে এই কৰ্তৃপক্ষৰ জিম্মাত অত্যাচাৰ আৰু মৃত্যু হোৱাৰো উদাহৰণ আছে।সাৱিন্দৰ সিং গ্ৰোভাৰৰ মৃত্যুৰ [১৯৯৫ অতিৰিক্ত (৪) এছচিচি, ৪৫০], (যি গোচৰত কুলদীপ সিং, জে এটা পক্ষত আছিল)গোচৰটোত এই আদালতে প্ৰৱৰ্তন সঞ্চালকালয়ৰ জিম্মাত থকা সময়ত সাৱিন্দৰ সিং গ্ৰোভাৰৰ মৃত্যুৰ ক্ষেত্ৰত নিজাববীয়াকৈ গোচৰ লৈছিল। অতিৰিক্ত জিলা ন্যায়াধীশৰ দ্বাৰা তদন্ত কৰাৰ পিছত যেতিয়া প্ৰথম দৰ্শনতে সমল পাইছিল, এই ন্যায়ালয়ে চিবিআইক এখন এফ.আই.আৰ দাখিল কৰিবলৈ আৰু অতিৰিক্ত জিলা ন্যায়াধীশৰ প্ৰতিবেদনত নাম থকা সকলো ব্যক্তিৰ বিৰুদ্ধে ফৌজদাৰী প্ৰক্ৰিয়া আৰম্ভ কৰি সেই দিশত আগবাঢ়ি যাবলৈ নিৰ্দেশ দিছিল। কেন্দ্ৰীয় চৰকাৰ/প্ৰৱৰ্তন সঞ্চালয়ককো অন্তৱৰ্তীকালীন পৰ্যায়ত অনুগ্ৰহমূলক পৰিশোধ হিচাপে মৃতকৰ বিধৱাক ২ লাখ টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। এনে ক্ষেত্ৰত গ্ৰেপ্তাৰ হোৱা লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে আইনৰ প্ৰাসংগিক ব্যৱস্থাসমূহৰ সংশোধনো এক প্ৰকৃত প্ৰয়োজনীয়তা।

আন এটা দিশতো আমাৰ বিবেচনাৰ প্ৰয়োজন আছে। আমি এই বিষয়ে সচেতন হ'ব লাগে যে ভাৰতৰ আৰক্ষীয়ে বিশেষকৈ আইন–শৃংখলাৰ অৱনতি, সাম্প্ৰদায়িক সংঘৰ্ষ, ৰাজনৈতিক অস্থিৰতা, ছাত্ৰ–ছাত্ৰীৰ মাজত অস্থিৰতা, সন্ত্ৰাসবাদী কাৰ্যকলাপ, আৰু আনসমূহৰ ভিতৰত দিনে দিনে বৃদ্ধি পাই অহা অপৰাধী জগত,সশস্ত্ৰ দল আৰু তেনে অপৰাধীসকলৰ পৰিপেক্ষিতত এক জটিল আৰু সাৱধানী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। উগ্ৰপন্থী, সন্ত্ৰাসবাদী, ড্ৰাগছ সৰবৰাহকাৰী,চোৰাং ব্যৱসায়ীসকলৰ দৰে বহুতো দুৰ্ধৰ্ষ অপৰাধীয়ে তেওঁলোকৰ দল গঠনৰ জৰিয়তে সমাজত শক্তিশালীভাৱে পোখা মেলিছে। কিছুমান বিশেষ মহলত আলোচনা হৈছে যে মৌলিক অধিকাৰসমূহ অধিক উদাৰভাৱে বলবৎ হ'লে এনে দুৰ্ধৰ্ষ শ্ৰেণীৰ অপৰাধীক ধৰা পেলোৱাত অসুবিধাৰ সৃষ্টি হ'ব কিয়নো জেৰা কৰা সময়ত শিথিল পদ্ধতি অৱলম্বন কৰিব লাগিব। সেই মহলবোৰত অনুভৱ কৰা হৈছে যে যদি আমি তেওঁলোকৰ মৌলিক অধিকাৰ আৰু মানৱ অধিকাৰৰ সুৰক্ষাৰ ওপৰত বেছি গুৰুত্ব দিওঁ তেন্তে এনে অপৰাধীসকলে অপৰাধৰ কোনো তথ্য প্ৰকাশ নকৰাকৈ মুক্ত হ'ব পাৰে, যাৰ ফলত অপৰাধটো শাস্তিবিহীন হ'ব আৰু সৰ্বশেষত, সমাজখন ক্ষতিগ্ৰস্ত হ'ব।এই বিষয়টো আৰু সমস্যাটো সত্য।এনে ধৰণৰ পৰিস্হিতিৰ মোকাবিলা কৰিবলৈ, ন্যায় প্ৰদানৰ ক্ষেত্ৰত এটা সন্তুলিত ব্যৱস্হাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰোপৰি, সমাজৰ আস্হাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষীয়ে অপৰাধীসকলৰ সৈতে নিপুণতাৰে আৰু কাৰ্যদক্ষতাৰে মোকাবিলা কৰিব লাগিব আৰু অপৰাধৰ সৈতে জড়িতসকলক গোচৰৰ আওতালৈ আনিব লাগিব।কাৰণ ৰোগৰ নিৰাময় কেতিয়াও ৰোগটোতকৈ বেয়া হ'ব নোৱাৰে।

মিৰাণ্ডা বনাম এৰিজোনা, ৩৮৪ ইউ.এছ ৪৩৬ গোচৰত এনে এটা বিষয়ৰ ওপৰত আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ সঁহাৰি পৰামৰ্শমূলক। ন্যায়ালয়ে মত পোষণ কৰে যে,

"এই গোচৰসমূহত এটা যুক্তি বাৰে বাৰে দাঙি ধৰা হৈছে যে সমাজৰ জেৰাৰ প্ৰয়োজনীয়তা ব্যক্তিৰ বিশেষাধিকাৰতকৈ অধিক গুৰুত্বপূৰ্ণ ।এই যুক্তি এই ন্যায়ালয়ৰ বাবে অপৰিচিত নহয়। [উদাহৰণস্বৰূপে চেম্বাৰ বনাম ফ্লৰিডা, ৩০৯ ইউ.এছ ২২৭,২৪০–৪১, ৮৪ এল এড ৭১৬, ৭২৪, ৬০ এছ চিটি ৪৭২ ( ১৯৪০ )].আমাৰ পূৰ্বৰ আলোচনাখিনিৰ পৰা প্ৰমাণিত হয় যে চৰকাৰৰ ক্ষমতাৰ আগত এজন ব্যক্তিৰ অধিকাৰ সন্দৰ্ভত সংবিধানৰ

পঞ্চম সংশোধনীত উল্লেখ কৰা হৈছে যে এজন ব্যক্তিক নিজৰ বিৰুদ্ধে সাক্ষী হ'বলৈ বাধ্য কৰিব নোৱাৰি। তেওঁৰ সেই অধিকাৰ কৰ্তন কৰিব নোৱাৰি।"

(মন কৰিবলগীয়া দিশ)

এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ খাতিৰত ব্যক্তিৰ স্বাধীনতাক সমৰ্পণ কৰিব লাগিব। বিভিন্ন বিধিৰ দ্বাৰা নিৰ্ধাৰিত বিভিন্ন পৰিস্থিতিত ৰাষ্ট্ৰৰ সুৰক্ষাৰ স্বাৰ্থত ব্যক্তিক প্ৰতিৰোধমূলক আটক কৰাৰ অধিকাৰ ন্যায়ালয়ে বাহাল ৰাখিছে। দেশৰ স্বাৰ্থত বন্দী, অপৰাধী বা গ্ৰেপ্তাৰ কৰা লোকক জেৰা কৰাৰ অধিকাৰ, ব্যক্তিৰ ব্যক্তিগত স্বাধীনতাৰ অধিকাৰতকৈ অগ্ৰাধিকাৰ দিব লাগিব। লেটিন ভাষাৰ মতবাদ চেলাছ পপুলি এষ্ট চুপ্ৰিম লেক্স (জনসাধাৰণৰ সুৰক্ষাই সৰ্বোচ্চ আইন) আৰু ছালাছ ৰিপাব্লিকাই এষ্ট চুপ্ৰেমা লেক্স (ৰাষ্ট্ৰৰ সুৰক্ষাই সৰ্বোচ্চ আইন) এটা আনটোৰ পৰিপূৰক আৰু ই কেৱল গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিকেই নহয়, ব্যক্তিৰ কল্যাণে সমাজৰ কল্যাণৰ ওচৰত নতশিৰ হ'ব লাগিব বুলি কোৱা মতবাদৰ মূলতে নিহিত হৈ আছে। ৰাষ্ট্ৰৰ কাৰ্যকলাপ অৱশ্যে "সঠিক, ন্যায়সংগত আৰু নিৰপেক্ষ" হ'ব লাগিব। যিকোনো ধৰণৰ তথ্য আহৰণৰ বাবে যিকোনো ধৰণৰ নিৰ্যাতন চলোৱাটো 'সঠিক বা ন্যায়সংগত বা নিৰপেক্ষ' নহ'ব আৰু সেয়েহে ইয়াৰ বাবে অনুমতি প্ৰদান কৰা নহ'ব, কিয়নো এনে কাৰ্য ২১ নং অনুচ্ছেদৰ অধীনত আপত্তিজনক হ'ব। এনে অপৰাধৰ লগত জড়িত সন্দেহজনক ব্যক্তিক আইনৰ বিধান অনুসৰি নিৰ্ধাৰণ কৰা বৈধ আৰু বৈজ্ঞানিক জেৰাৰ অধীনত জেৰা কৰিব লাগিব। তেওঁক অৱশ্যে তথ্য আহৰণ কৰিবলৈ, স্বীকাৰোক্তি উলিয়াবলৈ বা তেওঁৰ সহযোগী, অস্ত্ৰ-শস্ত্ৰ আদিৰ বিষয়ে জনাৰ উদ্দেশ্যে নিৰ্যাতন বা কঠোৰ পন্থা প্ৰয়োগ কৰিব নোৱাৰিব। আইনে অনুমতি দিয়া ধৰণৰ বাহিৰেও তেওঁৰ সাংবিধানিক অধিকাৰক কৰ্তন কৰিব নোৱাৰি, যদিও স্বভাৱতে সাধাৰণ অপৰাধীৰ তুলনাত এনে ব্যক্তিক জেৰা কৰা পদ্ধতিত গুণগত পাৰ্থক্য থাকিব। সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বান নতুন ধাৰণা আৰু দৃষ্টিভংগীৰে মোকাবিলা কৰিব লাগিব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ এটা সমাধান নহয়। ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদে কেৱল 'সন্ত্ৰাসবাদ'ক বৈধতা প্ৰদান কৰিব। সেইয়া ৰাষ্ট্ৰৰ বাবে, সমাজৰ বাবে আৰু সৰ্বোপৰি আইনী শাসনৰ বাবে অনিষ্টকাৰক হ'ব। গতিকে ৰাষ্ট্ৰই নিশ্চিত কৰিব লাগিব যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ ইয়াৰ দ্বাৰা নিয়োজিত বিভিন্ন সংস্থাই

আইনৰ পৰিসীমাৰ ভিতৰত কাম কৰে কিন্তু নিজে আইন যাতে হাতত তুলি নলয়।সন্ত্ৰাসবাদীয়ে নিৰীহ নাগৰিকৰ মানৱ অধিকাৰ উলংঘা কৰিছে, সেইটোৱে তেওঁক শাস্তিৰ বাবে জগৰীয়া কৰিব পাৰে কিন্তু ই আইনে অনুমতি দিয়া ধৰণৰ বাহিৰে আন উপায়েৰে এই মানৱ অধিকাৰ উলংঘা কৰাৰ যুক্তি নাথাকে। সেয়েহে প্ৰয়োজনীয় দিশটো হ'ল তদন্তৰ বাস্তৱসন্মত পদ্ধতি বিকশিত কৰা আৰু তদন্তকাৰীসকলক প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ সঠিকভাৱে জেৰা কৰাৰ প্ৰশিক্ষণ দিব লাগে।

আমি যিবোৰ বিধিগত আৰু সাংবিধানিক প্ৰয়োজনীয়তাৰ উল্লেখ কৰিছো, তাৰ উপৰিও আমাৰ মতে স্বচ্ছতা আৰু দায়বদ্ধতা আনিবলৈ গ্ৰেপ্তাৰ আৰু আটকৰ সকলো গোচৰৰ সমসাময়িক ৰেকৰ্ডিং আৰু জাননীৰ বাবে উপযুক্ত পদ্ধতি গঠন কৰাটো উপযোগী আৰু ফলপ্ৰসূ হ'ব। কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰা বিষয়াজনে তেওঁৰ গ্ৰেপ্তাৰৰ নথি সাক্ষীৰ উপস্হিতিত প্ৰস্তুত কৰাটো বাঞ্চনীয় যিজন গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ পৰিয়ালৰ সদস্য হ'ব পাৰে বা গ্ৰেপ্তাৰ কৰা ঠাইৰ স্থানীয় সন্মানীয় ব্যক্তি হ'ব পাৰে।সেয়েহে, গ্ৰেপ্তাৰৰ তাৰিখ আৰু সময় নথিত লিপিবদ্ধ হ'ব লাগে যিটো গ্ৰেপ্তাৰ হোৱা ব্যক্তিসকলৰ দ্বাৰা প্ৰতি স্বাক্ষৰিত হ'ব লাগে।

আমি সেয়েহে গ্ৰেপ্তাৰ বা আটক কৰাৰ সকলো ক্ষেত্ৰতে অনুসৰণ কৰিবলগীয়া তলত দিয়া প্ৰয়োজনীয়তাসমূহ জাৰি কৰাটো উপযুক্ত বুলি বিবেচনা কৰোঁ যেতিয়ালৈকে সেই উদ্দেশ্যে প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে আইনী ব্যৱস্থা গ্ৰহণ কৰা নহয়:

(১) গ্ৰেপ্তাৰ কৰা আৰু গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনৰ জেৰা চম্ভালি থকা আৰক্ষী বিষয়াসকলে তেওঁলোকৰ পদবীৰ সৈতে সঠিক,চকুত পৰা আৰু স্পষ্ট চিনাক্তকৰণ আৰু নামৰ চিহ্ন বহন কৰিব লাগে। গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনৰ জেৰাৰ দায়িত্বত থকা এনে সকলো আৰক্ষী কৰ্মীৰ সবিশেষ পঞ্জীত লিপিবদ্ধ কৰিব লাগিব।

(২) গ্ৰেপ্তাৰ কৰাৰ সময়ত গ্ৰেপ্তাৰ কৰা আৰক্ষী বিষয়াই গ্ৰেপ্তাৰৰ নথি প্ৰস্তুত কৰিব আৰু এনে নথি কমেও এজন সাক্ষীৰ দ্বাৰা প্ৰমাণিত কৰা হ'ব যি হয়তো গ্ৰেপ্তাৰকাৰীৰ পৰিয়ালৰ সদস্য হ'ব পাৰে বা ব্যক্তিজন গ্ৰেপ্তাৰ হোৱা স্থানৰ এজন সন্মানীয় ব্যক্তি হ'ব পাৰে। এইটো গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনৰ দ্বাৰা প্ৰতি স্বাক্ষৰিত হ'ব আৰু গ্ৰেপ্তাৰৰ সময় আৰু তাৰিখ উল্লেখ থাকিব।

(৩) যিজন ব্যক্তিক গ্ৰেপ্তাৰ বা আটক কৰি ৰখা হৈছে আৰু থানা বা জেৰা কেন্দ্ৰ বা আন লক-আপত জিম্মাত ৰখা হৈছে, তেওঁৰ এজন বন্ধু বা আত্মীয় বা তেওঁৰ চিনাকি বা তেওঁৰ হিতাকাংক্ষীক জনোৱাৰ অধিকাৰ থাকিব যে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে আৰু সেই বিশেষ স্থানত আবদ্ধ কৰি ৰখা হৈছে, যদিহে গ্ৰেপ্তাৰৰ নথিপত্ৰৰ সাক্ষী হোৱা ব্যক্তিজন গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ বন্ধু বা আত্মীয় নহয়।

(৪) আৰক্ষীয়ে গ্ৰেপ্তাৰ হোৱাৰ ৮ ৰ পৰা ১২ ঘন্টাৰ ভিতৰত চহৰৰ বা জিলাৰ বাহিৰত য'ত গ্ৰেপ্তাৰ হোৱা লোকজনৰ বন্ধু বা আত্মীয় বাস কৰে, তেওঁলোকক আইনী সহায়ক সংস্থা আৰু সংশ্লিষ্ট অঞ্চলৰ থানাৰ জৰিয়তে সময়, স্থান আৰু গ্ৰেপ্তাৰ হোৱা ব্যক্তিজনক জিম্মাত ৰখাৰ স্থান অৱগত কৰিব লাগিব।

(৫) গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক গ্ৰেপ্তাৰ কৰা বা আটক কৰাৰ লগে লগে কাৰোবাক গ্ৰেপ্তাৰ বা আটকৰ বিষয়ে অৱগত কৰাৰ যি অধিকাৰ, তাৰ বিষয়ে অৱগত কৰিব লাগিব।

(৬) আটক কৰি ৰখা স্থানত থকা পঞ্জীত ব্যক্তিজনক গ্ৰেপ্তাৰ কৰাৰ সন্দৰ্ভত এটা ৰেকৰ্ড ৰাখিব লাগিব য'ত গ্ৰেপ্তাৰৰ বিষয়ে অৱগত কৰা ব্যক্তিজনৰ বন্ধুৰ নাম আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ জিম্মাত থকা আৰক্ষী বিষয়াসকলৰ নাম আৰু বিৱৰণো প্ৰকাশ কৰিব লাগিব।

(৭) গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক, যি ঠাইতে তেওঁ অনুৰোধ কৰে, গ্ৰেপ্তাৰ হোৱাৰ সময়ত পৰীক্ষা কৰিব লাগে আৰু যিকোনো গুৰুতৰ আৰু সামান্য আঘাত, যদি তেওঁৰ শৰীৰত থাকে, সেই সময়ত লিপিবদ্ধ কৰিব লাগিব। গ্ৰেপ্তাৰ হোৱা ব্যক্তিজন আৰু গ্ৰেপ্তাৰৰ লগত জড়িত আৰক্ষী বিষয়া দুয়োৰে দ্বাৰা "পৰিদৰ্শন নথি"ত স্বাক্ষৰ কৰিব লাগিব আৰু ইয়াৰ প্ৰতিলিপি গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক প্ৰদান কৰিব লাগিব।

(৮) ৰাজ্যৰ বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ স্বাস্হ্য সেৱা বিভাগৰ সঞ্চালকৰ দ্বাৰা স্বীকৃতি প্ৰদান কৰা তথা নিযুক্তি প্ৰদান কৰা চিকিৎসকৰ দলৰ এজন অভিজ্ঞ চিকিৎসকৰ দ্বাৰা প্ৰতি ৪৮ ঘন্টাৰ অন্তৰালত গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ চিকিৎসা পৰীক্ষা কৰাব লাগে। স্বাস্থ্য সেৱাৰ সঞ্চালকে সকলো তহচিল আৰু জিলাৰ বাবেও এনে এটা পেনেল প্ৰস্তুত কৰিব লাগে।

(৯) ওপৰত উল্লেখিত গ্ৰেপ্তাৰৰ নথিৰ লগতে সকলো তথ্যৰ প্ৰতিলিপি ক্ষেত্ৰাধিকাৰ থকা দণ্ডাধীশলৈ লিপিবদ্ধ কৰি ৰাখিবৰ বাবে পঠিয়াব লাগে।

(১০) জেৰাৰ সম্পূৰ্ণ সময়ছোৱাত ন'হলেও, গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক জেৰাৰ সময়ত তেওঁৰ অধিবক্তাক লগ কৰিবলৈ অনুমতি দিয়া হ'ব পাৰে।

(১১) সকলো জিলা আৰু ৰাজ্যিক মুখ্য কাৰ্যালয়ত আৰক্ষী নিয়ন্ত্ৰণ কক্ষ এটা প্ৰদান কৰিব লাগে, য'ত গ্ৰেপ্তাৰ কৰা বিষয়াজনৰ দ্বাৰা গ্ৰেপ্তাৰ কৰাৰ ১২ ঘন্টাৰ ভিতৰত গ্ৰেপ্তাৰ আৰু জিম্মাৰ স্থান সম্পৰ্কীয় তথ্য অৱগত কৰা হ'ব, আৰু আৰক্ষী নিয়ন্ত্ৰণ কক্ষত এই সম্পৰ্কে এক সুস্পষ্ট জাননী বোৰ্ডত প্ৰদৰ্শন কৰিব লাগে।

ইয়াৰ উপৰিও উল্লেখ কৰা প্ৰয়োজনীয়তাবোৰ পালন কৰাত ব্যৰ্থ হ'লে সংশ্লিষ্ট বিষয়াজনৰ ক্ষেত্ৰত বিভাগীয় পদক্ষেপৰ উপৰিও, ন্যায়ালয়ক অৱমাননা কৰাৰ বাবে শাস্তি প্ৰদান কৰা হ'ব আৰু ন্যায়ালয়ক অৱমাননা কৰাৰ বাবে গোচৰ চলোৱাৰ প্ৰক্ৰিয়া দেশৰ যিকোনো উচ্চ ন্যায়ালয়তে আৰম্ভ কৰা হ'ব পাৰে যাৰ বিষয়টোৰ ওপৰত আঞ্চলিক ক্ষেত্ৰাধিকাৰ থাকে।

ওপৰত উল্লেখ কৰা প্ৰয়োজনীয় দিশকেইটা সংবিধানৰ অনুচ্ছেদ ২১ আৰু ২২(১)ৰ পৰা আহৰণ কৰা হৈছে আৰু এই দিশকেইটা কঠোৰভাৱে পালন কৰা উচিত। এই দিশসমূহ অন্যান্য চৰকাৰী সংস্হাসমূহৰ ক্ষেত্ৰতো সমানে প্ৰয়োগ হোৱা উচিত যি সম্পৰ্কত এটা প্ৰসংগ পূৰ্বতে উল্লেখ কৰা হৈছে।

এই প্ৰয়োজনীয়তাবোৰ সাংবিধানিক আৰু আইনী সুৰক্ষাৰ উপৰিও অতিৰিক্ত প্ৰয়োজনীয়তা আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ অধিকাৰ আৰু মৰ্যাদাৰ সুৰক্ষাৰ সন্দৰ্ভত আদালতৰ দ্বাৰা সময়ে সময়ে দিয়া আন বিভিন্ন নিৰ্দেশনাৰ পৰা পৃথক নহয়।

ওপৰত উল্লেখ কৰা প্ৰয়োজনীয়তাবোৰ আৰক্ষী সঞ্চালক প্ৰধান আৰু প্ৰতিখন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ গৃহ সচিবলৈ প্ৰেৰণ কৰা হ'ব আৰু তেওঁলোকৰ দায়িত্বত থকা প্ৰতিখন আৰক্ষী থানাতে প্ৰচাৰ কৰা আৰু চকুত পৰা স্থানত এই জাননী জাৰি কৰাটো তেওঁলোকৰ দায়িত্ব হ'ব। দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় নেটৱৰ্কত দেখুওৱাৰ উপৰিও সাধাৰণ ৰাইজক এই সম্পৰ্কে জনোৱাৰ বাবে আকাশবাণীত আৰু স্থানীয় ভাষাত পত্ৰিকা প্ৰকাশ আৰু বিতৰণ কৰা হয়। গ্ৰেপ্তাৰ কৰা ব্যক্তিজনৰ অধিকাৰৰ বিষয়ে সজাগতা

সৃষ্টি কৰাটো আমাৰ মতে জিম্মাকালীন অপৰাধৰ বিৰুদ্ধে যুঁজি স্বচ্ছতা আৰু দায়বদ্ধতা অনাৰ বাবে সঠিক দিশত লোৱা এক পদক্ষেপ হ'ব। এইটো আশা কৰা হৈছে যে এই প্ৰয়োজনীয় দিশসমূহে জিম্মাকালীন অপৰাধৰ ক্ষেত্ৰত জেৰা আৰু তদন্তৰ সময়ত ব্যৱহাৰ হোৱা সন্দেহজনক পদ্ধতিসমূহ ৰোধ কৰাত সহায় কৰিব, যদিও সম্পূৰ্ণৰূপে নাইকিয়া কৰিব নোৱাৰে।

শাস্তিমূলক ব্যৱস্থা

ইউ.বি. জুছ ইবি ৰিমিডিয়াম – প্ৰতিটো ভুলৰে শুধৰণি থাকে। আইনে আশা কৰে যে প্ৰতিটো ক্ষেত্ৰতে, যেতিয়া এজন মানুহে কিবা ভুল কৰে কিন্তু সেই ভুলৰ দ্বাৰা একো ক্ষতিগ্ৰস্ত নহয়, তেনে ক্ষেত্ৰত এটা প্ৰতিকাৰ থাকিব লাগে। কেৱল কোনো কাৰ্যকলাপক অবৈধ ঘোষণা কৰা বা লক-আপত জিম্মাকালীন নিৰ্যাতন বা মৃত্যুৰ বিষয়ে জ্ঞাত হ'লেই এজন ব্যক্তিয়ে প্ৰতিকাৰ লাভ নকৰে যিজন ব্যক্তিৰ জীৱনৰ মৌলিক অধিকাৰ উলংঘন কৰা হৈছে। এই ক্ষেত্ৰত আৰু বহুতো কৰিবলগীয়া আছে।

ভাৰতীয় দণ্ডবিধি আইনত কিছুমান শাস্তিমূলক বিধান সন্নিবিষ্ট কৰা হৈছে যাৰ জৰিয়তে জীৱনৰ অধিকাৰ উলংঘন হ'লে শাস্তি প্ৰদান কৰিব বিচৰা হয়।২২০ নং ধাৰাত দুৰ্নীতিপৰায়ণভাৱে বা হানিকাৰক উদ্দেশ্যৰে কোনো ব্যক্তিক আটক বা বন্দী কৰি ৰখা বিষয়া বা কৰ্তৃপক্ষক শাস্তিৰ ব্যৱস্থা কৰা হৈছে।৩৩০ আৰু ৩৩১ নং ধাৰাত অপৰাধ সংঘটিত কৰাৰ সন্দৰ্ভত স্বীকাৰোক্তি বা তথ্য দাবী কৰিবলৈ কোনো ব্যক্তিক গুৰুতৰভাৱে আঘাত কৰা লোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় দণ্ডবিধি আইনত কিছুমান শাস্তিমূলক বিধান সন্নিবিষ্ট কৰা হৈছে যিয়ে জীৱনৰ অধিকাৰ উলংঘা কৰিলে শাস্তি প্ৰদান কৰিব বিচাৰে। ৩৩০ নং ধাৰাৰ (ক) আৰু (খ)ৰ অধীনত এজন ব্যক্তিক অপৰাধ সংঘটিত কৰাৰ সৰ্ন্দভত তথ্য আহৰণ কৰা বা তেওঁৰ মুখৰ পৰা কথা উলিয়াবৰ বাবে বা চুৰি সামগ্ৰী ক'ত জমা কৰি ৰাখিছে সেইয়া দেখুৱাই দিবৰ বাবে অত্যাচাৰ কৰা ক্ষেত্ৰত তেওঁক দোষী সাব্যস্ত কৰিব পাৰে।সেয়েহে, ভাৰতীয় দণ্ড বিধি আইনৰ ৩৩০নং ধাৰাই প্ৰত্যক্ষভাৱে তদন্ত আৰু জেৰাৰ সময়ত হোৱা অত্যাচাৰক শাস্তিযোগ্য কৰি তোলে।এই আইনী বিধিসমূহ অৱশ্যে নাগৰিকসকলে সন্মুখীন হোৱা অন্যায়ৰ সুবিচাৰ প্ৰদানৰ ক্ষেত্ৰত যথেষ্ট নহয়। প্ৰতিটো অপৰাধৰ ক্ষেত্ৰত অপৰাধীৰ বিৰুদ্ধে গোচৰ চলোৱাটো ৰাষ্ট্ৰৰ দায়িত্ব যদিও অপৰাধৰ

বলি হোৱা ব্যক্তিজনক আৰ্থিকভাৱেও ক্ষতিপূৰণ দিয়াৰ প্ৰয়োজন।এখন ন্যায়ালয় য'ত মৌলিক অধিকাৰৰ উলংঘা হোৱাৰ ক্ষেত্ৰত ৰক্ষণাবেক্ষণ দিয়া হয়, তেনে ক্ষেত্ৰত কেৱল এটা ঘোষণা কৰিয়েই ক্ষান্ত থাকিব নোৱাৰে। এই ক্ষেত্ৰত ন্যায়ালয় আৰু আগবাঢ়িব লাগিব আৰু ক্ষতিপূৰণমূলক সকাহ দিব লাগিব, যিটো এটা দেৱানী গোচৰত প্ৰদান কৰা ক্ষতিপূৰণৰ দৰে নহয় কিন্তু ৰাজহুৱা আইনৰ ক্ষেত্ৰাধিকাৰৰ অধীনত ৰাষ্ট্ৰই নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষিত নকৰাৰ দৰে ৰাজহুৱা কৰ্তব্য ভংগ কৰাৰ বাবে ক্ষতিপূৰণ দিব লাগিব।অন্যায়ৰ সুবিচাৰ প্ৰদানৰ বাবে আৰু আইনী আঘাতৰ প্ৰতিকাৰ প্ৰদান কৰাটো ন্যায়িক প্ৰক্ৰিয়াৰ এটা আৱশ্যকীয় অংশ।

১৯৬৬ চনৰ আন্তৰ্জাতিক নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ চুক্তিৰ (আইচিচিপিআৰ) অনুচ্ছেদ ৯(৫)ত উল্লেখ আছে যে "যদি কোনো ব্যক্তিয়ে অবৈধভাৱে গ্ৰেপ্তাৰ বা আটকৰ বলি হৈছে তেন্তে তেওঁ ক্ষতিপূৰণৰ লাভৰ অধিকাৰ থাকিব"। অৱশ্যে, ১৯৭৯ চনত ভাৰত চৰকাৰে (আইচিচিপিআৰ)অনুমোদন জনোৱাৰ সময়ত এটা বিশেষ সংৰক্ষণৰ ব্যৱস্হা কৰিছিল যে ভাৰতীয় আইনী ব্যৱস্থাই অবৈধভাৱে গ্ৰেপ্তাৰ হোৱা বা আটকৰ বলি হোৱা লোকৰ ক্ষতিপূৰণৰ অধিকাৰক স্বীকৃতি নিদিয়ে আৰু সেয়েহে চুক্তিৰ এটা অংশ নহয়। কিন্তু সেই সংৰক্ষণে এতিয়া নাগৰিকৰ জীৱনৰ মৌলিক অধিকাৰ উলংঘা কৰাৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা বহুসংখ্যক গোচৰৰ ক্ষেত্ৰত এই আদালতে নিৰ্ধাৰণ কৰা আইনখনৰ দৃষ্টিত নিজৰ প্ৰাসংগিকতা হেৰুৱাই পেলাইছে। (সুবিধাৰ অৰ্থে চাওক ৰুদুল শ্বাহ বনাম বিহাৰ চৰকাৰ [১৯৮৩ (৪) এছচিচি, ১৪১ ]: চেবাষ্টিয়ান এম হংৰে বনাম কেন্দ্ৰীয় চৰকাৰ [ ১৯৮৪ (৩) এছচিচি, ৩৩৯] আৰু ১৯৮৪ (৩) এছচিচি, ৮২]; ভীম সিং বনাম জম্মু কাশ্মীৰ চৰকাৰ[১৯৮৪(অতিৰিক্ত)এছচিচি, ৫০৪ আৰু ১৯৮৫(৪) এছচিচি, ৬৭৭]চাহেলি বনাম দিল্লীৰ আৰক্ষী আয়ুক্ত[১৯৯০ (১) এছচিচি ৪২২]}। জীৱনৰ মৌলিক অধিকাৰ উলংঘনৰ বাবে ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ সংবিধানত প্ৰকৃততে কোনো স্পষ্ট ব্যৱস্থা নাই, তথাপিও, এই ন্যায়ালয়ে স্হাপিত অসাংবিধানিকভাৱে হোৱা ব্যক্তি স্বাধীনতাৰ উলংঘাৰ ক্ষেত্ৰত ন্যায়িকভাৱে ক্ষতিপূৰণৰ অধিকাৰ বিকশিত কৰিছে। [চাওক :নীলাবাতি বাহাৰা বনাম চৰকাৰ(পূৰ্বে উল্লেখিত)]

প্ৰায় দুটা দশকৰ আগলৈকে, ৰাজহুৱা সেৱকসকলৰ কোনো উৎপীড়নমূলক কাৰ্যৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সাধাৰণতে সীমিত আছিল আৰু ক্ষতিগ্ৰস্ত ব্যক্তিজনে দেৱানী গোচৰ

দাখিল কৰি ক্ষতিৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিছিল আৰু এনে ক্ষেত্ৰত পুনৰ সাৰ্বভৌম প্ৰতিৰক্ষাৰ ভূমিকাক (sovereign immunity) অনুমতি প্ৰদান কৰা হৈছিল। জীৱনৰ মৌলিক অধিকাৰ বা মৌলিক মানৱ অধিকাৰ উলংঘাৰ বাবে অৱশ্যে এই আদালতে এই মত পোষণ কৰিছে যে ৰাজহুৱা কৰ্মচাৰীৰ উৎপীড়নমূলক কাৰ্য আৰু প্ৰতিষ্ঠিত ভাৰতৰ সংবিধানৰ ২১ নং অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা ব্যক্তিৰ অধিকাৰ উলংঘাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ বাবে সাৰ্বভৌম প্ৰতিৰক্ষা উপলব্ধ নহয় । নীলাবতী বেহেৰা বনাম চৰকাৰ, ড. কস্তুৰী লাল ৰলিয়া ৰাম জৈন বনাম উত্তৰ প্ৰদেশ চৰকাৰ (পূৰ্বে উল্লেখিত) [১৯৬৫ (১) এছ চি আৰ, ৩৭৫] শীৰ্ষক গোচৰত য'ত চৰকাৰী কৰ্মচাৰীসকলে কৰা অপৰাধৰ বাবে চৰকাৰৰ দায়বদ্ধতাৰ ক্ষেত্ৰত সাৰ্বভৌম ৰক্ষাকৱচৰ আবেদন সমৰ্থন কৰা হৈছিল আৰু এইদৰে ব্যাখ্যা কৰা হৈছিল: (এছ চি চি পৃষ্ঠা ৭৬১, দফা ১৪)

" এই প্ৰসংগত কোৱাটো উচিত হ'ব যে কাষ্টুৰিলালৰ গোচৰটোত এই ন্যায়ালয়ে নিজৰ কৰ্মচাৰীসকলৰ উৎপীড়নমূলক কাৰ্যত ৰাষ্ট্ৰৰ সাৰ্বভৌম ৰক্ষাকৱচৰ আবেদন বাহাল ৰখা সিদ্ধান্তটো সেই কাৰ্যটোৰ দায়বদ্ধতাৰ ক্ষেত্ৰত সীমাবদ্ধ আৰু মৌলিক অধিকাৰ উলংঘাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ যি দায়বদ্ধতা, তাৰ পৰা ই পৃথক, আৰু এই ক্ষেত্ৰত সাৰ্বভৌম ৰক্ষাকৱচৰ মতবাদটো সাংবিধানিক আঁচনিত প্ৰযোজ্য নহয় আৰু সংবিধানৰ ৩২ আৰু ২২৬ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা সাংবিধানিক প্ৰতিকাৰক ৰক্ষণাবেক্ষণ নিদিয়ে যাৰ জৰিয়তে মৌলিক অধিকাৰ উলংঘাৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হয় যেতিয়া ক্ষতিপূৰণ প্ৰদান কৰাটো মৌলিক অধিকাৰ বলবৎকৰণৰ একমাত্ৰ প্ৰায়োগিক দিশ হৈ পৰে। ৰুদুল সাহ আৰু তেনে ধৰণৰ আন গোচৰসমূহৰ ক্ষেত্ৰত আদালতৰ ৰায় সংবিধানৰ ৩২ আৰু ২২৬নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা সাংবিধানিক প্ৰতিকাৰ অনুসৰি মৌলিক অধিকাৰ উলংঘাৰ ক্ষেত্ৰত ক্ষতিপূৰণ প্ৰদানৰ সৈতে জড়িত, আনহাতে, কাষ্টুৰিলালৰ গোচৰটো, চৰকাৰী সেৱকৰ ভুলৰ বাবে জব্দ কৰা আৰু মালিকক ঘূৰাই নিদিয়া সামগ্ৰীৰ মূল্যৰ সৈতে জড়িত আছিল আৰু এই গোচৰটোত সাধাৰণ প্ৰক্ৰিয়াৰ অধীনত হস্তক্ষেপৰ অপৰাধত ক্ষতিপূৰণৰ বাবে দাবী কৰা হৈছিল আৰু মৌলিক অধিকাৰৰ উলংঘনৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ দাবী নাছিল। সেয়েহে, কাষ্টুৰিলালৰ গোচৰটো এই সন্দৰ্ভত অপ্ৰাসংগিক আৰু পৃথক হয়।"

জীৱন আৰু স্বাধীনতাৰ মৌলিক অধিকাৰ অসাংবিধানিকভাৱে বঞ্চিত কৰাৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ বাবে ৰাজহুৱা আইনৰ জৰিয়তে যি দাবী কৰা হয় আৰু যাৰ সুৰক্ষা সংবিধানৰ অধীনত নিশ্চিতভাৱে প্ৰদান কৰা হৈছে, সেই দাবী হৈছে কঠোৰ দায়বদ্ধতাৰ ওপৰত ভিত্তি কৰি কৰা দাবী আৰু ই ব্যক্তিগত আইনত চৰকাৰী সেৱকৰ উৎপীড়নমূলক কাৰ্যৰ ফলস্বৰূপে হোৱা ক্ষতিপূৰণৰ ক্ষেত্ৰত কৰিব পৰা দাবীৰ উপৰিও উপলব্ধ আন এক দাবী। ৰাজহুৱা আইনী প্ৰক্ৰিয়াই ব্যক্তিগত আইনী প্ৰক্ৰিয়াতকৈ পৃথক উদ্দেশ্য বহন কৰে। সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা অক্ষম অধিকাৰৰ প্ৰতিষ্ঠিত উলংঘাৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰাটো ৰাজহুৱা আইনত উপলব্ধ প্ৰতিকাৰ যিহেতু ৰাজহুৱা আইনৰ উদ্দেশ্য কেৱল ৰাজহুৱা ক্ষমতাক শৃংখলিত কৰাই নহয় বৰঞ্চ নাগৰিকসকলক আশ্বস্ত কৰা যে তেওঁলোকে এনে এক আইনী ব্যৱস্থাৰ অধীনত বাস কৰে য'ত তেওঁলোকৰ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত আৰু সংৰক্ষণ কৰা হ'ব। ২১ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰৰ উলংঘা হোৱাটো প্ৰতিষ্ঠিত হ'লে ভাৰতীয় সংবিধানৰ ৩২ বা ২২৬ নং অনুচ্ছেদৰ অধীনত ক্ষতিপূৰণ প্ৰদান কৰাটো হৈছে ৰাজহুৱা আইনৰ ক্ষেত্ৰাধিকাৰৰ অধীনত পালন কৰিব লগীয়া ন্যায়ালয়ৰ এক কৰ্তব্য যাৰ জৰিয়তে ভুল কৰাজনক শাস্তি প্ৰদান আৰু এনেধৰণৰ অন্যায়ৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা নিৰ্ধাৰণ কৰিব পাৰি যিয়ে নাগৰিকসকলৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত নিজৰ ৰাজহুৱা কৰ্তব্য পালনত ব্যৰ্থ হয়।

কেৱল ক্ষতিগ্ৰস্তসকলক দেৱানী আইনত উপলব্ধ প্ৰতিকাৰ প্ৰদান কৰা পুৰণি মতবাদে নাগৰিকৰ অক্ষম অধিকাৰৰ ৰক্ষক হিচাপে ন্যায়ালয়ৰ ভূমিকাক অত্যধিক সীমিত কৰি পেলায়। ন্যায়ালয়ৰ নাগৰিকসকলৰ সামাজিক আশা আকাংক্ষা পূৰণ কৰাৰ দায়িত্ব আছে কিয়নো ন্যায়ালয় আৰু আইন হৈছে জনসাধাৰণৰ বাবে আৰু সেয়েহে, তেওঁলোকৰ আশা আকাংক্ষাৰ প্ৰতি সঁহাৰি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। ন্যায়ালয়ে ইয়াৰ চেতনা আৰু সক্ৰিয়তাক কঠোৰ বাস্তৱৰ সন্মুখত জলাঞ্জলি দিব নোৱাৰে। কেৱল অপৰাধীক শাস্তি প্ৰদানে ভুক্তভোগীৰ পৰিয়ালক বিশেষ সান্ত্বনা দিব নোৱাৰে – ক্ষতিৰ বাবে দেৱানী ব্যৱস্থা এটা দীৰ্ঘদিনীয়া আৰু জটিল ন্যায়িক প্ৰক্ৰিয়া। নাগৰিকৰ জীৱনৰ অক্ষম অধিকাৰ উলংঘা হোৱা বুলি ন্যায়ালয়ে দিয়া আৰ্থিক ক্ষতিপূৰণৰ প্ৰতিকাৰ সেয়েহে উপযোগী আৰু কেতিয়াবা হয়তো এনে প্ৰতিকাৰ মৃত ভুক্তভোগী ব্যক্তি যি

হয়তো পৰিয়ালৰ উপাৰ্জনকাৰী ব্যক্তি আছিল, সেই পৰিয়ালৰ সদস্যৰ কটা ঘাঁত মলম সনাৰ দৰে একমাত্ৰ ফলপ্ৰসূ প্ৰতিকাৰ হ'ব পাৰে।

নীলাবতী বেহেৰাৰ গোচৰত (উপৰোক্ত) এই মত পোষণ কৰা হৈছিল: "ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা অধিকাৰ জিম্মাকালীন অৱস্হাত মৃত্যু হোৱা এজন ব্যক্তিৰ ক্ষেত্ৰত উলংঘা বা হস্তক্ষেপ কৰাৰ বাবে ব্যক্তিজনৰ উত্তৰাধিকাৰীসকলক সকাহ প্ৰদান কৰাৰ কথাটো লক্ষ্য কৰিলে,ক্ষতিপূৰণ দাবী কৰোতে তেওঁক দেৱানী মোকৰ্দমাৰ সাধাৰণ প্ৰতিকাৰ প্ৰদান কৰাটোৱেই যথেষ্ট নহয়,কাৰণ ব্যক্তিগত আইনত সেই প্ৰতিকাৰ ক্ষতিগ্ৰস্ত পক্ষৰ বাবে আচলতে উপলব্ধ। সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত অক্ষম অধিকাৰ উলংঘাৰ অভিযোগ কৰা নাগৰিকজনক ক'ব নোৱাৰি যে জীৱনৰ মৌলিক অধিকাৰৰ প্ৰতিষ্ঠিত উলংঘাৰ বাবে তেওঁ ৰাজহুৱা আইনৰ অধীনত লেখ ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়ৰ পৰা কোনো ধৰণৰ সকাহ পাব নোৱাৰে। ৰাজহুৱা আইনী প্ৰক্ৰিয়াৰ প্ৰাৰম্ভিক উৎসটো বিশেষাধিকাৰ লেখৰ পৰা উদ্ভৱ হৈছে আৰু সেয়েহে ন্যায়ালয়সমূহে আইনৰ নীতিসমূহ অটুট ৰখাৰ আৰু ৰক্ষণাবেক্ষণৰ দিয়াৰ লক্ষ্যৰে পৰিস্থিতি অনুসৰি ইয়াক গঢ়ি তুলি ৰাজহুৱা আইন অনুসৰি সকাহ প্ৰদান কৰিবলৈ 'নতুন পদ্ধতি' সৃষ্টি কৰিব লাগিব। ১৯৪৯ চনত লৰ্ড ডেনিংয়ে "আইনৰ অধীনত স্বাধীনতা" শীৰ্ষক তেওঁৰ প্ৰথম হামলিন বক্তৃতাৰ সামৰণি মাৰোতে তেওঁৰ নিজৰ ভাষাত সতৰ্ক কৰি কৈছিল যে:

কোনেও অনুমান কৰিব নোৱাৰে যে কাৰ্যবাহী কেতিয়াও আমাৰ সকলোৰে ক্ষেত্ৰত সচৰাচৰ হোৱা অন্যায়ৰ বাবে দোষী নহয়।আপুনি নিশ্চিত হ'ব পাৰে যে তেওঁলোকে কেতিয়াবা তেওঁলোকে কৰিব নলগীয়া লগা কামবোৰ কৰিব:আৰু কেতিয়াবা কৰিব লগীয়া কামবোৰ নকৰিব।কিন্তু যদি সেই ভুলৰ বাবে আমি ভুগিবলগীয়া হয়, তেতিয়া সমাধান কি হ'ব ? আমাৰ ব্যক্তিগত স্বাধীনতাক সুৰক্ষা প্ৰদান কৰাৰ বাবে আমাৰ পদ্ধতিসমূহ কাৰ্যক্ষম, কিন্তু ক্ষমতাৰ অপব্যৱহাৰ ৰোধ কৰাৰ ক্ষেত্ৰত নহয়।যিদৰে কয়লা খননৰ বাবে হোচোং কোঁৰ বা বেলচা বৰ্তমান পৰ্যাপ্ত নহয়, ঠিক সেইদৰে পৰমাদেশ, উৎপেষণ লেখ আদিৰ দ্বাৰা গ্ৰহণ কৰা সিদ্ধান্তসমূহ বৰ্তমান সময়ত স্বাধীনতা সাব্যস্ত কৰাৰ ক্ষেত্ৰত উপযোগী নহয়। এইসমূহৰ ঠাইত ঘোষণা, নিষেধাজ্ঞা আৰু গাফিলতিৰ বাবে নতুন শেহতীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব..... এয়া সংসদৰ কাম নহয়... এই কাম ন্যায়ালয়ে কৰিব লাগিব। কৰিবলৈ বাকী থকা সকলোবোৰ

মহান কামৰ ভিতৰত এইটোৱেই আটাইতকৈ ডাঙৰ কাম। কাৰ্যবাহীৰ নতুন ক্ষমতাৰ সঠিকভাৱে কৰা ব্যৱহাৰে ৰাষ্ট্ৰৰ কল্যাণ সাধন কৰিব: কিন্তু ইয়াৰ অপব্যৱহাৰ কৰিলে একনায়কত্ববাদৰ জন্ম হ'ব। এনেকুৱা কোনো কাৰ্যকে এই ৰাষ্ট্ৰত কেতিয়াও অনুমতি দিব নালাগে।"

নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাত ব্যৰ্থ হোৱাৰ বাবে চৰকাৰৰ বিৰুদ্ধে আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰি ভুলৰ সংশোধনী কৰাৰ দৰে একে ধৰণৰ পদ্ধতি আয়াৰলেণ্ডৰ ন্যায়ালয়ৰ দ্বাৰা গ্ৰহণ কৰা হৈছে, যাৰ এখন লিখিত সংবিধান আছে, মৌলিক অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰা হৈছে, কিন্তু ভাৰতীয় সংবিধানৰ দৰে সেই অধিকাৰবোৰ উলংঘনৰ বাবে প্ৰতিকাৰৰ কোনো ব্যৱস্থা নাই। অৱশ্যে, এই সংবিধানে আয়াৰলেণ্ডৰ ন্যায়ালয়ক কেৱল উলংঘনৰ বাবে দোষী ব্যক্তিৰ বিৰুদ্ধে ক্ষতিপূৰণ প্ৰদানকে ধৰি চৰকাৰৰ বিৰুদ্ধেও আন প্ৰতিকাৰৰ ব্যৱস্হা কৰাত বাধা প্ৰদান কৰা নাই ।

চৰকাৰ (এট দ্য প্ৰচিকিউচন অৱ কুইন) বনাম ৰিয়ান [১৯৬৫] আই আৰ ৭০ (১২২) গোচৰত মুখ্য ন্যায়াধীশ অ' ডালাইৰ তথ্যসমৃদ্ধ আৰু পৰামৰ্শমূলক পৰ্যবেক্ষণসমূহ বিশেষভাৱে মন কৰিবলগীয়া। এই সন্দৰ্ভত বিজ্ঞ মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে-

"নাগৰিকৰ মৌলিক অধিকাৰৰ নিশ্চয়তা দিয়াটো সংবিধানৰ উদ্দেশ্য নাছিল যে এই অধিকাৰবোৰ অস্তিত্বহীন বা আওকাণ কৰিব লাগে। উদ্দেশ্য আছিল যে ব্যক্তিজনৰ অধিকাৰ নিশ্চিত কৰা আৰু ন্যায়ালয়েই হৈছে সেই অধিকাৰৰ ৰক্ষক।উপসংহাৰ হিচাপে, ইয়াৰ পৰা অনুমান কৰিব পাৰি যে কোনোৱেই মুক্তভাৱে এই অধিকাৰসমূহক গুৰুত্বহীন বা আওকাণ কৰিব নোৱাৰে, আৰু এই ক্ষেত্ৰত ন্যায়ালয়ৰ ক্ষমতা সংবিধানৰ প্ৰতিৰক্ষাৰ বাবে যিমান প্ৰয়োজনীয়, সিমানেই যথেষ্ট।"

(বাখ্যা দাঙি ধৰা হৈছে)

বায়ৰ্ন বনাম আয়াৰলেণ্ড [১৯৭২] আই আৰ ২৪১ত ৱালছ জেইয়ে ২৬৪ নং পৃষ্ঠাত মত পোষণ কৰিছিল যে:

"সংবিধানৰ কেইবাটাও অংশত নাগৰিকৰ সুবিধার্থে কিছুমান বিধান সৃষ্টিৰ কর্তব্য ৰাষ্ট্ৰৰ ওপৰত জাপি দিয়া হৈছে যিয়ে নাগৰিকসকলক অধিকাৰ প্ৰদান কৰে আৰু সংবিধানত কোনো বিপৰীত ব্যৱস্থা নথকালৈকে, সংবিধানখনে এই অধিকাৰসমূহ বলবৎ কৰাৰ বাবে প্ৰতিকাৰৰ ব্যৱস্হা কৰা বুলি গণ্য কৰিব লাগিব।ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, যদি কোনো অধিকাৰ ৰাষ্ট্ৰৰ দ্বাৰা নিশ্চিত কৰা হয় আৰু যদি সাংবিধানিক কর্তব্য পালনত ব্যর্থ হয়, তেনে ক্ষেত্রত ৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰতিকাৰ বিচাৰিব লাগিব।"

(বাখ্যা দাঙি ধৰা হৈছে)

মহাৰাজ বনাম ট্ৰিনিদাদৰ এটৰ্নী জেনেৰেল আৰু ট'বাগোৰ গোচৰটোত[ (১৯৭৮) ২ অল ই.আৰ.৬৭০] ট্ৰিনিদাদ আৰু ট'বাগোৰ সংবিধানৰ ৬ নং ধাৰাটোৰ ব্যাখ্যা কৰি থাকোঁতে প্ৰিভি পৰিষদে ৰায় দিছিল যে যদিও ইয়াত স্পষ্টভাৱে প্ৰদান কৰা হোৱা নাই, তথাপিও ইয়াৰ দ্বাৰা মৌলিক মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উলংঘাৰ বাবে 'প্ৰতিকাৰ' হিচাপে আৰ্থিক ক্ষতিপূৰণৰ আদেশৰ অনুমতি দিয়া হৈছে। সংখ্যাগৰিষ্ঠৰ হৈ লৰ্ড ডিপ্লকে মত পোষণ কৰে যে:

"এটৰ্নি জেনেৰেলৰ হৈ এই যুক্তি দাঙি ধৰা হৈছিল যে গায়ানাৰ এটৰ্নি জেনেৰেল বনাম জৌগুত এনে ধৰণৰ নিষ্পত্তিৰ নির্দেশ দিয়া স্বত্বেও ৬ (২) নং ধাৰায়ে আৰ্থিক ক্ষতিপূৰণৰ বাবে আদেশৰ অনুমতি নিদিয়ে। উপধাৰাত 'উক্ত ধাৰাসমূহৰ যিকোনো বিধান বলবৎ কৰা, বা এই ক্ষেত্রত ৰক্ষণাবেক্ষণ'ৰ প্ৰসংগৰ ওপৰত গুৰুত্ব প্ৰদান কৰা কৰা হৈছিল, যি উদ্দেশ্যে আদেশ আদি প্ৰদান কৰিব পৰা যাব। ক্ষতিপূৰণ প্ৰদানৰ বাবে আদেশ দাখিল কৰা হৈছিল যদিও যিবোৰ অধিকাৰ উলংঘা কৰা হৈছিল, সেইবোৰ অধিকাৰ বলবৎ কৰাৰ সমান নাছিল।তেওঁলোকৰ মহামান্য ন্যায়াধীশৰ দৃষ্টিভংগীত,১নং ধাৰাৰ অধীনত সুৰক্ষিত অধিকাৰ উলংঘা হ'লে ক্ষতিপূৰণ প্ৰদানৰ আদেশ নিশ্চিতভাৱে 'প্ৰতিকাৰ'ৰ এটা প্ৰকাৰ যিটো ৬(১)নং ধাৰাৰ অধীনত এজন ব্যক্তিয়ে দাবী কৰিব পাৰে আৰু ই বৰ্তমানৰ গোচৰটোত হোৱাৰ দৰে প্ৰতিকাৰৰ একমাত্ৰ উপায় হ'ব পাৰে।এনে আদেশ দিয়াৰ অধিকাৰ উচ্চ ন্যায়ালয়ক ধাৰা ৬(২)ৰ দফা (ক)ৰ দ্বাৰা প্ৰদান কৰা হৈছে, অৰ্থাৎ 'এই ধাৰাটোৰ (১) নং উপ-ধাৰা অনুসৰি যিকোনো ব্যক্তিয়ে কৰা যিকোনো আবেদনৰ শুনানি আৰু সিদ্ধান্ত প্ৰদান কৰা'। আদেশ দিয়া, লেখ জাৰি কৰা আৰু নির্দেশনা দিয়াৰ ব্যাপক ক্ষমতা ইয়াৰ আনুষংগিক।"

লৰ্ড ডিপ্লকে আৰু লক্ষ্য কৰিছিল যে ( ৬৮০ নং পৃষ্ঠাত) : "শেষত তেওঁলোকৰ ন্যায়াধীশসকলে ৬নং ধাৰাৰ অধীনত আদায় কৰিব পৰা আৰ্থিক ক্ষতিপূৰণৰ ব্যৱস্হাৰ বিষয়ে কিবা মত আগবঢ়াব য'ত যথাযথ আইনী প্ৰক্ৰিয়াৰ বাহিৰে অন্য প্ৰকাৰে দাবীদাৰৰ স্বাধীনতা খৰ্ব হোৱাকে ধৰি আন সাংবিধানিক অধিকাৰ উলংঘা হয়।এই দাবীটো ব্যক্তিগত আইনৰ অধীনত মিছা কাৰাবাসৰ অপৰাধত লাভ কৰিব লগা ক্ষতিপূৰণৰ দাবী নহয়, যাৰ অধীনত লাভ কৰিবলগীয়া ক্ষতিপূৰণসমূহৰ লগত মানহানিৰ বাবে লাভ কৰিবলগীয়া ক্ষতিপূৰণ অন্তৰ্ভুক্ত হ'ব।এইয়া হৈছে কেৱল স্বাধীনতা খৰ্বৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ লাভৰ বাবে ৰাজহুৱা আইনৰ অধীনত কৰা এটা দাবী।"

ছিম্পছন বনাম এটৰ্নী জেনেৰেল গোচৰটোত [বাইজেন্টৰ গোচৰ] (১৯৯৪ এনজেডএলআৰ, ৬৬৭)) নিউজিলেণ্ডৰ আপীল আদালতে বিভিন্ন ক্ষেত্ৰাধিকাৰৰ কৰ্তৃপক্ষসকলৰ কথা উল্লেখ কৰি বিষয়টোৰ সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰিছিল। ইয়াত নিউজিলেণ্ডৰ অধিকাৰ বিল আইন, ১৯৯০ উলংঘা কৰা আৰক্ষী বিষয়াসকলে কৰা অবৈধ অনুসন্ধানৰ দৰে অপৰাধৰ বাবে উমৈহতীয়া দায়বদ্ধতাৰ মতবাদৰ প্ৰয়োগ সম্পৰ্কে বিবেচনা কৰিছিল। অধিকাৰ বিলে নিশ্চয়তা প্ৰদান কৰা স্বাধীনতা আৰু অধিকাৰৰ বলবৎকৰণ, যি সন্দৰ্ভত কোনো নিৰ্দিষ্ট প্ৰতিকাৰ প্ৰদান কৰা হোৱা নাছিল, সেই সন্দৰ্ভত হাৰ্ডি বয়ছ, জে. লক্ষ্য কৰিছিল যে:

'নিউজিলেণ্ডৰ অধিকাৰ বিল আইনখন যদিহে ই এটা উপৰুৱা মন্তব্যৰ দৰে নহয়, তেন্তে ই হৈছে চৰকাৰৰ দ্বাৰা প্ৰদান কৰা এক প্ৰতিশ্ৰুতি যি তিনিটা বিভাগত যিসকলে ইয়াৰ কাৰ্য, ক্ষমতা আৰু কৰ্তব্য পালন কৰে তেওঁলোকে বিলখনে প্ৰদান কৰা অধিকাৰসমূহৰ ক্ষেত্ৰত লক্ষ্য ৰাখিব। মই সেই প্ৰতিশ্ৰুতিৰ সৈতে এই কথা সম্পৰ্কিত বুলি বিবেচনা কৰোঁ, প্ৰকৃততে ইয়াৰ বাবে অপৰিহাৰ্য যে ন্যায়ালয়সমূহে কেৱল বিধেয়কখনে কৰ্তব্য পালন কৰাৰ দিশটো লক্ষ্য কৰাই নহয়, লগতে য'ত অধিকাৰ উলংঘা হৈছে তাত উপযুক্ত আৰু ফলপ্ৰসূ প্ৰতিকাৰ প্ৰদান কৰিবলৈও সক্ষম। মই ভাবিবলৈ কোনো কাৰণ দেখা নাই যে এইটো লিখিত সংবিধানৰ চৰ্তাৱলীৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। মৌলিক মানৱ অধিকাৰৰ উপভোগ হৈছে প্ৰতিজন নাগৰিকৰ অধিকাৰ, আৰু সেইসমূহৰ সুৰক্ষা প্ৰদান কৰাটো হৈছে প্ৰতিখন সভ্য ৰাষ্ট্ৰৰে দায়বদ্ধতা। সেইসমূহ সমাজৰ গাঁথনিত অন্তৰ্নিহিত হৈ থাকে আৰু ইয়াৰ বাবে অত্যাৱশ্যকীয়।সেই অধিকাৰসমূহে আইনী বা সাংবিধানিক ৰূপৰ ওপৰত নিৰ্ভৰ নকৰে য'ত সেইসমূহৰ উল্লেখ কৰা

হয়।মোৰ মতে, মই উল্লেখ কৰা গোচৰবোৰত প্ৰিভি পৰিষদ আৰু আয়াৰলেণ্ড আৰু ভাৰতৰ ন্যায়ালয়ে সিদ্ধান্তত উপনীত হোৱা যুক্তিসমূহ (সেইবোৰ কিন্তু এটা নমুনা) নিউজিলেণ্ড অধিকাৰ বিধেয়ক আইনৰ ক্ষেত্ৰতো সমানে বৈধ যদিহে ই সক্ৰিয় আৰু অৰ্থপূৰ্ণ হয় ।"

(বাখ্যা দাণ্ডি ধৰা হৈছে)

আপীল আদালতে আইৰিছ আদালত, প্ৰিভি পৰিষদৰ ৰায় আৰু নিলাবাতি বেহেৰা বনাম চৰকাৰ গোচৰত নিৰ্ধাৰিত আইনৰ ওপৰত নিৰ্ভৰ কৰিছিল:

"আন এক গুৰুত্বপূৰ্ণ কৰ্তৃপক্ষ ভাৰতত আছে, য'ত সংবিধানে উচ্চতম ন্যায়ালয়ক ইয়াৰ অধীনত নিশ্চিত অধিকাৰ বলবৎ কৰাৰ ক্ষমতা প্ৰদান কৰে। নীলাবতী বেহেৰা বনাম উৰিষ্যা চৰকাৰ (১৯৯৩) ক্ৰিমিনেল জে ২৮৯৯ত উচ্চতম ন্যায়ালয়ে আৰক্ষীৰ জিম্মাত প্ৰহাৰ কৰি হত্যা কৰা এজন যুৱকৰ মাতৃক চৰকাৰৰ বিৰুদ্ধে ক্ষতিপূৰণ প্ৰদান কৰে। ন্যায়ালয়ে ৰায় দিছিল যে ইয়াৰ বলবৎকৰণ ক্ষমতাই "নতুন ব্যৱস্হা" প্ৰৱৰ্তন কৰাৰ দায়িত্ব আৰোপ কৰে আৰু ইয়াৰ ভিতৰত ক্ষতিপূৰণ উপযুক্ত যদিহে সেইটোৱেই একমাত্ৰ উপলব্ধ প্ৰতিকাৰ হয় ।এইটো অপৰাধৰ প্ৰতিকাৰ নাছিল, বৰঞ্চ মৌলিক অধিকাৰ উলংঘাৰ ক্ষেত্ৰত কঠোৰ দায়বদ্ধতাৰ ওপৰত প্ৰতিৰ্ষ্ঠিত ৰাজহুৱা আইনত থকা প্ৰতিকাৰ আছিল, যি ক্ষেত্ৰত সাৰ্বভৌম ৰক্ষাকৱচৰ নীতি প্ৰযোজ্য নহয়।পৃষ্ঠা ২৯১২ত আনন্দ.জেৰ এই পৰ্যবেক্ষণসমূহ লক্ষ্য কৰিব পাৰি।

কেৱল ক্ষতিগ্ৰস্তসকলক দেৱানী আইনত উপলব্ধ প্ৰতিকাৰৰ প্ৰদান কৰা পুৰণি মতবাদে নাগৰিকৰ অক্ষম অধিকাৰৰ ৰক্ষক হিচাপে ন্যায়ালয়ৰ ভূমিকাক অত্যধিক সীমিত কৰি পেলায়। ন্যায়ালয়ৰ নাগৰিকসকলৰ সামাজিক আশা আকাংক্ষা পূৰণ কৰাৰ দায়িত্ব আছে কিয়নো ন্যায়ালয় আৰু আইন হৈছে জনসাধাৰণৰ বাবে আৰু সেয়েহে, তেওঁলোকৰ আশা আকাংক্ষাৰ প্ৰতি সঁহাৰি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। ৰাজহুৱা আইনৰ উদ্দেশ্য কেৱল জনসাধাৰণক সুশৃংখলিত কৰাই নহয়, লগতে নাগৰিকসকলক আশ্বাস প্ৰদান কৰিব লাগে যে তেওঁলোকে এক আইনী ব্যৱস্থাৰ অধীনত বাস কৰে

যাৰ উদ্দেশ্য হৈছে তেওঁলোকৰ স্বাৰ্থ সুৰক্ষিত কৰা আৰু তেওঁলোকৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিয়া।"

চিম্পছনৰ গোচৰটোত আপীল আদালতৰ পাঁচজন সদস্যই এক পৃথক ৰায় প্ৰদান কৰিছিল কিন্তু অধিকাৰ বিধেয়ক আইনৰ অধীনত নিশ্চিত কৰা তেওঁৰ অধিকাৰ উলংঘনৰ বাবে ভুক্তভোগীজনক আৰ্থিক ক্ষতিপূৰণ প্ৰদান কৰাৰ সন্দৰ্ভত সকলোৱে সন্মতি আছিল যদিও এই সন্দৰ্ভত অধিকাৰ বিধেয়ক আইনত এক স্পষ্ট ব্যৱস্থাৰ বিষয়ে উল্লেখ নাছিল।

সেয়েহে, সংক্ষিপ্তভাৱে, এইটো এতিয়া বেছিভাগ ক্ষেত্ৰাধিকাৰতে সৰ্বগ্ৰহণযোগ্য প্ৰস্তাৱ যে আৰ্থিক ক্ষতিপূৰণ হৈছে এক উপযুক্ত আৰু প্ৰকৃততে এক ফলপ্ৰসূ আৰু কোনো ক্ষেত্ৰত লোক সেৱকসকলৰ দ্বাৰা নাগৰিকৰ জীৱনৰ মৌলিক অধিকাৰৰ প্ৰতিৰ্ষ্ঠিত উলংঘনৰ প্ৰতিকাৰৰ বাবে একমাত্ৰ উপযুক্ত প্ৰতিকাৰ আৰু চৰকাৰ তেওঁলোকৰ কামৰ বাবে দায়বদ্ধ। নাগৰিকৰ দাবী কঠোৰ দায়বদ্ধতাৰ নীতিৰ ওপৰত ভিত্তি কৰি কৰা হয় যেতিয়া সাৰ্বভৌম ৰক্ষাকৱচৰ প্ৰতিৰক্ষা উপলব্ধ নহয় আৰু নাগৰিকে চৰকাৰৰ পৰা ক্ষতিপূৰণ লাভ কৰিব লাগিব, যিখন চৰকাৰৰ অন্যায়কাৰী ব্যক্তিৰ পৰা ক্ষতিপূৰণ পোৱাৰ অধিকাৰ থাকিব। ক্ষতিপূৰণৰ ক্ষেত্ৰত, শাস্তিমূলক দিশটোৰ ওপৰত নহয়, ক্ষতিপূৰণমূলক দিশটোৰ ওপৰতহে গুৰুত্ব দিব লাগিব।কাৰণ উদ্দেশ্য আইন অমান্যকাৰী বা অপৰাধীক শাস্তি প্ৰদান কৰা নহয়, উদ্দেশ্যে হ'ল ভুক্তভোগীক সকাহ প্ৰদান কৰা কাৰণ অপৰাধৰ বাবে উপযুক্ত শাস্তি দিয়া বিষয়টো (ক্ষতিপূৰণ নিৰ্বিশেষে)ফৌজদাৰী আদালতৰ ওপৰত এৰি দিব লাগে য'ত অপৰাধীজনৰ ওপৰত গোচৰ চলোৱা হয় আৰু যিটো ৰাষ্ট্ৰই আইনগতভাৱে কৰিবলৈ বাধ্য। ৰাজহুৱা আইনৰ ক্ষেত্ৰাধিকাৰত ক্ষতিপূৰণৰ প্ৰদান কৰাটো ক্ষতিপূৰণৰ বাবে উপলব্ধ দেৱানী গোচৰৰ দৰে আন কোনো ব্যৱস্থাৰ প্ৰতিও কোনো ধৰণৰ ক্ষতি নকৰে যি ব্যৱস্হাত চৰকাৰী কাৰ্যকৰ্তাসকলৰ অন্যায়মূলক কাৰ্যৰ দৰে একে বিষয়ৰ ক্ষেত্ৰত ভুক্তভোগী বা মৃত ভুক্তভোগীৰ উত্তৰাধিকাৰীসকলৰ বাবে বৈধভাৱে উপলব্ধ। ক্ষতিপূৰণৰ পৰিমাণ অৱশ্যেই প্ৰতিটো গোচৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিব আৰু তাৰ হৈ কোনো নিৰ্দিষ্ট নীতি প্ৰৱৰ্তন কৰিব নোৱাৰি। ৰাজহুৱা আইনৰ ক্ষেত্ৰাধিকাৰৰ অধীনত নাগৰিকৰ মৌলিক অধিকাৰৰ প্ৰতিৰ্ষ্ঠিত উলংঘাৰ বাবে প্ৰতিকাৰ প্ৰদান কৰাটো হৈছে পৰম্পৰাগত

প্ৰতিকাৰৰ উপৰিও আন এক প্ৰতিকাৰ আৰু সেইসমূহক একাষৰীয়া নকৰে। আদালতে নিৰ্দেশ দিয়া আৰু চৰকাৰে অন্যায়ৰ বাবদ প্ৰদান কৰা ক্ষতিপূৰণৰ পৰিমাণ, কোনো এটা গোচৰত, দেৱানী গোচৰত ক্ষতিপূৰণৰ দ্বাৰা দাবীদাৰক প্ৰদান কৰিব পৰা ক্ষতিপূৰণৰ পৰিমাণৰ লগত মিলাই দিব পাৰি।

এই ৰায়দানৰ সামৰণি মৰাৰ পূৰ্বে,আমি চৰকাৰৰ হৈ উপস্হিত হোৱা বিজ্ঞ অধিবক্তাসকল আৰু বিজ্ঞ জ্যেষ্ঠ অধিবক্তা ড° এ.এম. সিংভি, যিয়ে বিশেষকৈ ন্যায়ালয়ৰ বন্ধু( amicus curiae)হিচাপে গুৰুত্বপূৰ্ণ সহযোগিতা আগবঢ়াইছিল, আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

-------------------------------